Debates of the Assam Legislative Assembly, 1973

The 29th November, 1973

**Contents** Page


| | |
|---|---|
| Questions | 1—34 |
| No Confidence Motion | 34—36 |
| Calling Attention | 37—40 |
| Statement by Minister | 41 |
| Matter Under Rule 301 | 42—46 |
| Presentation of Committee's Report | 47 |
| Motion for extension of time for Submission of Assembly Committee's Reports | 47—48 |
| Indroduction, further discussion and Passing of Government Bills | 48—70 |
| Consideration of Government Bill | |
| ). Half-an-Hour discussion | 70—79 |

REFERENCE
NOT FOR ISSUE
A. L. ... ARY

STARRED

## QUESTIONS AND ANSWERS

(To which oral replies were given)

Date : 29th November, 1973

Re : Police Firing at Dhonsirimukh

Shri Mal Chandra Pegu, asked :

*91. Will the Chief Minister be pleased to state—

Whether any action will be taken by the Government against the Police Officers and the Civil Officers for Police Firing at Dhonsirimukh as a result of which two innocent Miching Tribal persons were shot dead and several persons wounded ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

91.—The decision of the Government on the report of the Commission is placed on the Table of the House in the form of a Government Resolution.

Shri Mal Chandra Pegu : Sir, whether the Govt. is sware that according to the provisions of the Enquiry Commission Act actions should be taken within 6 months from the date of submission of the report of the Commission ?

Shri S. C. Sinha ( Chief Minister ) : Sir, the report has been placed before the House and action has been taken. Further actions are being taken on that matter.

Shri Mal Chandra Pegu : What are the concrete steps taken ? If any action has been taken at all, whether the police Officers or civil officers responsible for this incident killing two innocent Miching persons and several others injured were severely dealt with or whether they are placed under suspension ?

Shri S. C. Sinha (Chief Minister) : Sir, it has been stated that the Govt. found it difficult to accept the findings of the Commission. But the I.G.P. has been asked to look into the conduct of O. C. Komargaon Police Station and suitable action should be taken.

Shri Mal Chandra Pegu : Whether any representation has been submitted to the Chief Minister during the year 1972 for granting life pension to the widows of the deceased persons ?

Shri S.C. Sinha ( Chief Minister ) : Some relief has been given. No pension was granted.

Shri Ataur Rahman : Should we take it that no responsibility has been fixed ?

Shri S.C. Sinha ( Chief Minister ) : Sir, sometimes responsibility cannot be fixed.

Shri Dulal Khound : Whether the commission has fixed the responsibility on some other officers and from the reply of the hon. Chief Minister it has been found that no action has been taken on any person ? Whether it is also a fact that the Govt. have not accepted the recommendation of the Commission ?

Shri S.C. Sinha ( Chi f Minister ) : That is true Sir. The Govt. has found it difficult to accept the report.

Shri Jagannath Sinha : What are the difficulties in accepting the findings of the Commission ?

Shri S.C. Sinha ( Chief Minister ) : After going into the facts the Govt. did not like to accept the report.

Shri Dulal Khound : Will the hon. Chief Minister be pleased to let the House know what are the recommendations of the Commission accepted by the Govt. ?

Shri S.C. Sinha : That is on the report.

Shri Premadhar Bora : What is the amount paid to the family of the deceased ?

Shri S.C. Sinha ( Chief Minister ) : Rs. 1000 is paid to the widow of Shri K. Doley and Rs. 1000 to the family of Bhola Doley. A grant at the rate of Rs. 250 is given to each of the seriously injured persons Shri D. Hazarika and B. Lohin.

Shri Mal Chandra Pegu : Whether the Govt. think it sufficient that a lump sum grant will cater the need instead of a life pension ?

Shri S.C. Sinha ( Chief Minister ) : In the circumstances the Govt. think that it is sufficient.

Shri Atul Saikia : What is the machinery by which the quantum of such compensation is fixed ?

Shri S.C. Sinha : I said it is a lump sum grant.

Shri Dulal Chandra Barua : The Commission in the report itself made the police officers and district authorities responsible for this incident. If that is a fact, whether Govt has taken any action on the officers concerned or fixed the responsibility on any one of them ?

Shri S.C. Sinha : Yes Sir, the I.G.P. has been asked to look into the conduct of the officials.

Shri Dulal Chandra Barua : Whether any action has been taken against the Civil Officers ?

Shri S.C. Sinha ( Chief Minister ) : No action has been taken against the Civil Officers.

## বিঃ দেশীয় মদৰ মূল্য

শ্ৰীনগেন্দ্ৰ ৰকুৱাই সুধিছে :

* ৯২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম সমবায় চেনিকলৰ মদৰ ভাটিত তৈয়াৰী দেশীয় মদ ১৯৭০-৭১ চনত প্ৰতি লিটাৰত কিমান মূল্যত বিক্ৰী কৰা হৈছিল ?

(খ) এই মদৰ মূল্য কোনে নিৰ্দ্ধাৰণ কৰে ?

(গ) ১৯৭০-৭১ আৰু ১৯৭১-৭২ চনত দুটা বেলেগ দৰত এই মদ বিক্ৰী কৰা হৈছিল নেকি আৰু যদি হৈছিল কোন কোন ঠিকাদাৰক প্ৰতি লিটাৰত কিমান মূল্যত এই মদ বিক্ৰী কৰা হৈছিল ?

(ঘ) কোনো এজন বিশেষ ঠিকাদাৰৰ আবেদনৰ ভিত্তিত পূৰ্বৰ চুক্তিৰ মূল্যতকৈ ৰেহাই মূল্যত এই মদ বিক্ৰী কৰা হৈছিল নেকি আৰু যদি হৈছিল ঠিকাদাৰ জনৰ নাম, ঠিকনা এই সদনক জনাবনে ?

(ঙ) অসম সমবায় চেনিকলৰ সেই সময়ৰ পৰিচালন সঞ্চালকে পৰিচালনা সমিতিৰ সভাত নতুন মূল্য নিৰূপণ কৰাত বিৰোধিতা কৰাতো সঁচানে ?

(চ) যদি সঁচা হয় এই পৰিচালনা সমিতিৰ যিখন সভাত ঠিকাদাৰ জনৰ আবেদনৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল তাৰ সম্পূৰ্ণ কাৰ্য্য বিৱৰণী সদনত দাঙ্গি ধৰিবনে ?

শ্ৰীগজেন তাঁতী ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৯২। (ক)—১৯৭০-৭১ চনত অসম সমবায় চেনিকলত তৈয়াৰী কৰা দেশীয় মদ প্ৰতি লিটাৰত ০·৬১ আৰু ০·৫৯ পইচা হিচাবে দুটা দামত বিক্ৰী কৰা হৈছিল।

(খ) চেনিকলৰ কাৰ্য্য নিৰ্বাহক কমিটিয়ে এই মদৰ মূল্য নিৰ্দ্ধাৰণ কৰে।

(গ) —হয়। ১৯৭০-৭২ প্ৰত্যেক বছৰতে দুটা বেলেগ দৰত মদ বিক্ৰী কৰা হৈছিল। ১৯৭০-৭১ চনত মেচাৰ্চ প্ৰদিউচ এক্সচেঞ্জ কৰৰ্পৰেচন আৰু শ্ৰীবি, পি, বৰঠাকুৰক প্ৰথমতে প্ৰতি লিটাৰত ০·৬১ পইচাত মদ বিক্ৰী কৰা হৈছিল কিন্তু অলপ দিনৰ পাচতে শ্ৰীবৰঠাকুৰক পুৰ্ব্বৰ ০·৬১ পইচাৰ ঠাইত প্ৰতি লিটাৰত ০·৫৯ পইচাত এই মদ দিয়া হয়। ১৯৭১-৭২ চনত প্ৰদিউচ এক্সচেঞ্জ কৰৰ্প.ৰচনত প্ৰতি লিটাৰত ০·৬১ পইচাত আৰু শ্ৰীবি, পি, বৰঠাকুৰক প্ৰতি লিটাৰত ০·৫৯ পইচাত আৰু ০·৬১ পইচাত মদ বিক্ৰী কৰা হয়।

(ঘ) —হয়। ঠিকাদাৰ জনৰ নাম শ্ৰীবি, পি, বৰঠাকুৰ। পোঃ আঃ কুজিবালি, শিৱসাগৰ।

(ঙ) —কাৰ্য্য নিৰ্বাহক কমিটিয়ে ১৫।৭।৭০ আৰু ১৭।৭।৭০ তাৰিখে এই বিষয়ে আলোচনা কৰে। সভাৰ কাৰ্য্য বিৱৰণীত তেনে বিৰোধিতাৰ কোনো উল্লেখ নাই।

(চ) —প্ৰশ্নৰ উত্তৰৰ সন্দৰ্ভত এই প্ৰশ্ন নুঠে।

শ্ৰীনগেন বৰুৱা: অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰিছো যে ১৫ তাৰিখে যিখন বৈঠক বহিছিল সেই বৈঠকত পুৰণা যি জন সঞ্চালক আছিল তেখেতে বিৰোধিতা কৰাত এই মদখিনি বিক্ৰীৰ কাৰণে যি জনক ৰেহাই দিবলৈ বিচাৰিছিল সেই ৰেহাই বিবেচনা কৰিব পৰা নাছিল। কিন্তু ১৭ তাৰিখে নতুন সঞ্চালক আহিল, যিজনে এই বিষয়ে একো নাজানে। বাকী সদস্য সকলক লগত লৈ বৰ্ডে শ্ৰীবৰঠাকুৰ ঠিকাদাৰক ·৬১ পইচাৰ ঠাইত ·৫৯ পইচাকৈ ৰেহাই দিয়া হ'ল। এই কথাত দুজন ঠিকাদাৰক দুটা ৰেটত এজন ঠিকাদাৰক বিশেষ সুবিধা দিবলৈ সঞ্চালকজনে বিশেষ ব্যৱস্থা কৰিছে। তাৰ কাৰণে চৰকাৰে চেনি কলৰ কৰ্তৃপক্ষৰ ওপৰত কি ব্যৱস্থা লৈছে?

শ্ৰীগজেন তাঁতী: মই প্ৰশ্ন উত্তৰত কৈছোঁয়েই যে সভাৰ কাৰ্য্য বিৱৰণীত তেনে বিৰোধিতাৰ কোনো উল্লেখ নাই। ১৫।১১।৭৩ তাৰিখে যিখন মিটিং বহিছিল সেই মিটিঙত সিদ্ধান্ত লোৱা হোৱা নাছিল। তাৰ পিচৰ মিটিঙত সিদ্ধান্ত কৰা হল এই সিদ্ধান্ত অনুসৰি বি, পি বৰঠাকুৰ, পোঃ কুজিবালি, ঠিকাদাৰক দিয়া হৈছিল। আৰু তেখেতৰ এপিলখন কাৰ্য্য নিৰ্বাহক কমিটিয়ে আলোচনা কৰে তাৰ পিচত দাম কমাই ৫৯ পইচা কৰা হ'ল।

শ্ৰীনগেন বৰুৱা : অধ্যক্ষ মহোদয়, ঠিকাদাৰজনক কিমান দিনৰ পিচত ৰেহাই দিছিল আৰু তাৰ কাৰণে অডিট অবজেকচন কৰিছিল। এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগজেন তাঁতী ( সমবায় মন্ত্ৰী : অডিট অবজেকচন কৰিছে নে নাই চাব লাগিব আৰু কি কাৰণে ৰেহাই দিলে কাৰ্য্য নিৰ্বাহকৰ কাৰ্য্য বিবৰণীত একো উল্লেখ নাই।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : মন্ত্ৰী মহোদয়ে এই কথা জানে নে যে যিজন ঠিকাদাৰক কম মূল্যত দিয়া হ'ল তাৰ বাহিৰে অন্য আবেদনকাৰী আছিল নে নাই ? যিজন ঠিকাদাৰক দিয়া হৈছে তেখেতৰ দেউতাকে চৰকাৰৰ পৰা বহুত টকা ধাৰে নি এতিয়ালৈ পৰিশোধ কৰা নাই এই কথা সঁচা নে ?

শ্ৰীগজেন তাঁতী : সেই বিষয়ে কোনো তথ্যপাতি নাই, অনুসন্ধান কৰিব লাগিব। অন্য ঠিকাদাৰ আছিল নে নাই সেইটোও কব নোৱাৰো কাৰণ টেণ্ডাৰ কল কৰে আবকাৰী বিভাগে। সেই ঠিকাদাৰ বিলাকক চেনী কলত উৎপাদন হোৱা মদ যোগান ধৰা হয়।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : যদি টেণ্ডাৰ কল কৰা হৈছিল আৰু আবেদনকাৰী বহুত আছিল তেনেহলে কিয় এই বিষয়ে মানুহজনক কম মূল্যত দিয়া হ'ল ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : মূল্য নিৰ্দ্ধাৰণ কৰে চেনী কলে আৰু এক্সাইজ বিভাগে কাক যোগান ধৰিব লাগে সেইটো ঠিক কৰি দিয়ে। এই ঠিকাদাৰজনক প্ৰথমতে ·৬১ পইছাতে দিয়া হৈছিল আৰু পিছত আপীল কৰাত ·৫৯ পইছা কৰা হ'ল।

শ্ৰীআতাউৰ ৰহমান : এই কাৰখানাৰ পৰা খুচুৰা মদ বিক্ৰী কৰা নিয়ম আছে নেকি ? যদি নাই তেনেহলে কেনেকৈ এই কাৰবাৰ চলি আছে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : এইটো মদ নহয় স্পিৰিটহে, মানুহে খালে জীয়াই নাথাকে।

শ্ৰীকেহোৰাম হাজৰীকা : ·৬১ পইছাৰ পৰা ·৫৯ পইছা কৰাৰ ফলত চেনী কলৰ কিমান লোকচান হ'ল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : সেই সংখ্যাটো মোৰ হাতত নাই।

শ্ৰীকেহোৰাম হাজৰীকা : সংখ্যাটো পিচত জনাব নেকি ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : লোকচানৰ কথা নাই তথাপি বাৰু পিচত জনাম।

শ্ৰীসোনেশ্বৰ বৰা : কিমান লিটাৰ মদ ·২ পইছাকে কম দামত বিক্ৰী কৰা হয় ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : সেইটো হিচাব পিচতহে জনাব পাৰিম।

শ্ৰীপ্ৰেম বৰা : দেৰগাওঁৰ এই সমবায়ৰ চেনী কলৰ পৰা এতিয়ালৈকে কিমান টকা চৰকাৰে লাভ কৰিছে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : সেই হিচাব যোৱা বিধান সভাত দিয়া হৈছিল, বৰ্তমান মোৰ হাতত নাই।

শ্ৰীনগেন বৰুৱা : দুজন ঠিকাদাৰ আছিল, তাৰ এজনক ·৬১ পইছাকৈ দিছে আনজনে আপীল কৰা বাবে ·৫৯ পইছাকৈ কিয় বিশেষ সুবিধা দিলে ? তাৰ পৰা চেনী কলৰ লোকচান হোৱা নাই নে ?

( উত্তৰ নাই )

শ্ৰীহিৰণ্য বৰা : আপীলৰ কাৰণ কি জনাব নে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : পিচত জনাম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অডিট অবজেকচন হোৱা নাই বুলি কৈছে যিটো নিৰ্দ্ধাৰিত দামত টেণ্ডাৰ কল কৰা হৈছিল সেই ৰেট কমাবলৈ হলে আবকাৰী বিভাগৰ অনুমোদন লব লাগিব। সেই অনুমোদন লোৱা হৈছিল নে ? যদি নাই লোৱা কেনেকৈ ৰেট কমালে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : অডিট অবজেকচন থাকিলে অনুসন্ধান কৰি জনাম আৰু দ্বিতীয়তে দাম নিৰ্দ্ধাৰণৰ কথা আবকাৰী বিভাগৰ অনুমোদন নলোৱাকৈ কমাব পাৰে।

শ্ৰীপিটসিং কোৱঁৰ : মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নে প্ৰতি লিটাৰত ·৬১ পইছাৰ পৰা কিমান দিনৰ পিচত ·৫৯ পইছা কৰিলে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : ১৭-৭-৭০ তাৰিখৰ পৰা।

## Re : Supply of Milk

Shri Probin Kumar Choudhury asked :

* 93. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that Veterinary Department is not supplying milk to the Consumers regularly ?

(b) If so, whether the Government will take steps to arrange regular supply ?

Shri Hiteswar Saikia, Minister of State replied :

93. (a) & (b)—The Veterinary Department supplies milk to the consumer through Milk Supply Scheme at Gauhati and Jorhat. There was some disruption in regular supply of milk at both Centres, Viz. at Jorhat from 2-9-73 to 10-10-73 and at Gauhati from 1-8-73 to 4-11-73 The position has since improved and regular supply of milk to consumers at Jorhat and Khanapara have been resumed from 11-10-73 and 5-11-73 respectively.

Shri Dulal Chandra Barua : Whether Government is aware of the fact that both these schemes incurred heavy losses, and if so whether Government conducted any inpuiry to ascertain the reasons for such heavy loss ?

Shri Hiteswar Saikia ( Minister of State ) : This information is not with me.

Shri Dulal Chandra Barua : This is a very pertinent question, Sir, We have come to know that these projects have incurred heavy losses. Therefore I want to know whether Government had conducted any enquiry to ascertain the cause of these losses.

Shri Hiteswar Saikia ( Minister of State ) : If it is so, it will be enquired.

Shri Jagannath Sinha : Whether this milk supply scheme is a Government scheme. If so, why Silchar town has not been included in the scheme ?

Shri Hiteswar Saikia, ( Minister of State ) : This has not been considered.

Shri Jagannath Sinha : Why it was not considered ?

Shri Hiteswar Saikia ( Minister of Sate ) : It was not considered. At present we are supplying milk at Jorhat and Gauhati. There is no proposal for Silchar.

Shri Jagannath Sinha : In future whether it will be included ?

Shri Hiteswar Saikia ( Minister of State ) : Definitely, and if possible, we will include all the towns.

শ্ৰীকবীৰ ৰায় প্ৰধানী : এই কথাটো সচা নেকি যে গাখীৰৰ ফাৰ্ম্মৰ পৰা নানি নেপালী সুতিৰ পৰা অনা হয় আৰু তাৰ কোনো দৈনিক 'চেল প্ৰচিদিং নাই কেৱল বছৰি এবাৰহে হিচাবটো দেখুৱা হয়, এই বিষয়ে অনুসন্ধান কৰি মন্ত্ৰী মহোদয়ে আচল হিচাবটো দিয়াৰ কাৰণে চেষ্টা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : সেইটো নহয়, প্ৰতি মাহেই ইয়াৰ হিচাব হয়।

শ্ৰীজগদীশ দাস : মন্ত্ৰী মহোদয়ে জনাবনে কিমান ছাগলীৰ গাখীৰ আৰু কিমান গৰুৰ গাখীৰ যোগান ধৰা হয় সেইটো জনাবনে ?

( উত্তৰ নাই )

Shri Prabin Kumar Choudhury : May I know from the Minister whether Government is aware of the fact that due to irregular supply of milk infants are not getting their food ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : এই খিনিতে কিছু অসুবিধা হৈছিল সেইটো সঁচা।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : কোনোবা দিনাখন গাখীৰ বেচি হয় তেতিয়া সেই গাখীৰ খিনি কি কৰা হয় ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : এতিয়ালৈকে বেচি হোৱা নাই, কমিহে আছে।

Shri Ataur Rahman : May I know what are the detailed schemes for supply of milk to these towns ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী): আমি প্ৰয়োজন অনুসাৰে দিবলৈ চেষ্টা কৰিছো।

Shri Ataur Rahman : Where from the milk comes ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : গুৱাহাটীত কেইটামান চেন্টাৰ আছে টিপাঝাৰত আৰু আন দুটা চেন্টাৰ আছে তাৰ পৰা গাখীৰ যোগান ধৰা হয় তাৰ বাহিৰেও হাহিম, বকোৰ পৰাও গাখীৰ অনাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীতুলশী দাস : যোৱা ৩ মাহৰ ভিতৰত গুৱাহাটী আৰু যোৰহাটত মাহে কিমান পৰিমানৰ গাখীৰ যোগান ধৰা হৈছে ? সেইটো জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : মোৰ হাতত ৩ মাহৰ হিচাব আছে— আগষ্ট মাহত গুৱাহাটীত গাখীৰৰ মুঠ যোগান ধৰা পৰিমান আছিল ১ লাখ ২৫ হাজাৰ ৭৫ লিটাৰ ৫০০ গ্ৰাম, চেপ্তেম্বৰ মাহত ১ লাখ ৩০ হাজাৰ ৯ শ আৰু অক্টোবৰ মাহত ১ লাখ ৫৬ হাজাৰ ৪৭৭ লিটাৰ আৰু যোৰহাটত যোগান ধৰাৰ পৰিমাণ আছিল— আগষ্ট মাহত ৮ হাজাৰ ১ শ চেপ্তেম্বৰত ৩ শ ১৩ আৰু অক্টোবৰত ৪১৩ লিটাৰ।

শ্ৰীলীলাকান্ত দাস : ১৯৬৩ চনৰে পৰা ১৯৭২ চনলৈ এই ৯ বছৰ কেৱল গুৱাহাটী বা যোৰহাটতহে যে গাখীৰ যোগান ধৰা হ'ল কিয় অসমৰ আন আন ঠাইত গাখীৰ যোগান ধৰাৰ কাৰণে ব্যৱস্থা কৰা নহ'ল ?

অধ্যক্ষ : লম বুলি উত্তৰত কৈছেই।

শ্ৰীজগদীশ দাস কিমান ৰেটত কিনা হয় আৰু ৰাইজক বিক্ৰী কৰা হয় ?

শ্ৰীহিতেশ্বৰ শইকীয়া এতিয়া গাখীৰৰ অৱস্থা আগতকৈ ভাল হৈছে, ১.৫০ পইচাকৈ ৰাইজক বৰ্তমান গাখীৰ যোগান ধৰা হৈছে। মিল্ক চেন্টাৰ বিলাকত ১.১০ পইচাকৈ কিনা হৈছিল, খানাপাবাৰ পৰা অনা গাখীৰটো ১.২৫ পইচাত দিয়া হয়। যোৰহাটত বোকাখাট আৰু জয়সাগৰত ৩ মাহৰ পৰা যোগান ধৰা হৈছিল কিন্তু জয়সাগৰতো ৩ মাহৰ কাৰণে বন্ধ থকাত বোকাখাটৰ পৰাই ১.২০ পইচাকৈ অনা হৈছিল।

Shri Ataur Rahman : What is the fate of the scheme at Basistha and other places taken up by the Govt and about which there was so much of advertisement.

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ইতিমধ্যে মান্দাকাটাৰ কাৰণে যি আঁচনি লোৱা হৈছে সেই আঁচনিত প্ৰায় ৫০০ জন নিবনুৱা ডেকাক সংস্থান দিব পৰা হব বুলি আশা কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, আগতে 'বোকাখাটৰ পৰা গোলাঘাটলৈ গাখীৰ যোগান ধৰা হৈছিল কিন্তু এতিয়া বোকাখাটৰ পৰা গাখীৰ যোগান ধৰি গোলাঘাটৰ মানুহৰ মুখ চেপি যোৰহাটত গাখীৰ যোগান ধৰিছে অথচ বোকাখাট গোলাঘাট মহকুমাৰ ভিতৰতে পৰে। এই বিষয়ত স্থানীয় ৰাইজে কেবাবাৰো আবেদন নিবেদন কৰিছিল কিন্তু আজি পৰ্যন্ত তাৰ কোনো ব্যৱস্থা লোৱা নহ'ল। গতিকে মই আশাকৰো চৰকাৰে যেন অতি সোনকালে গোলাঘাটত গাখীৰ যোগান ধৰাৰ ব্যৱস্থা কৰে।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : গোলাঘাটত গাখীৰৰ অৱস্থা বেয়া নহয়।

শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰী : বৰ্তমান গুৱাহাটীত গাখীৰ যোগান ধৰাৰ কাৰণে ৰাইজক কাৰ্ড বা পাৰমিট 'ইচু' কৰা হৈছে, আমি জানিব পাৰোনে যিমান কাৰ্ড বা পাৰমিট এতিয়ালৈকে 'ইচু' কৰা হৈছে সিমান পৰিমানৰ গাখীৰ যোগান ধৰিব পৰা হৈছে নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : গুৱাহাটীত সকলো মানুহকে গাখীৰ যোগান ধৰিবলৈ হলে আমাক প্ৰায় ১০,০০০ লিটাৰ গাখীৰ দৈনিক লাগিব কিন্তু বৰ্তমান আমাৰ দৈনিক যোগানৰ পৰিমান হ'ল ৬০০ লিটাৰ।

শ্ৰীপ্ৰৱীন কুমাৰ চৌধুৰী : তেনে হলে কাৰ্ড কিয় দিয়া হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : হিচাববোৰ দিয়াৰ কাৰণে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : এই আচনিখন যুগুত কৰোতে চৰকাৰে কিছুমান 'ফাৰ্ম' তৈয়াৰ কৰি তাৰ পৰা গাখীৰ যোগান ধৰাৰ কথা আছিল, কিন্তু এতিয়া দেখা গৈছে বাহিৰৰ পৰাহে গাখীৰ অনা হৈছে, সেই 'ফাৰ্ম' বিলাকৰ অৱস্থা কি হ'ল ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : অকল বাহিৰৰ পৰা অনাই নহয় চৰকাৰী ফাৰ্ম বিলাকৰ পৰাও গাখীৰ অনা হয়।

শ্ৰীলক্ষীকান্ত শইকীয়া : এইটো শেষ প্ৰশ্ন, এই গাখীৰৰ যোগান ধৰোতে অৰ্থাৎ এই গাখীৰ যোগান ধৰা আচনি কৰোতে প্ৰতিৰক্ষা বিভাগৰ লগত এটা

চুক্তি হৈছিল কিন্তু সেই চুক্তি ভংগ কৰাৰ ফলত এই গাখীৰ যোগান ধৰাৰ ক্ষেত্ৰত বহুতো লোকচান ভৰিব লগা হয় কিন্তু সেই সম্পৰ্কত ভাৰত চৰকাৰৰ লগত কোনো ব্যৱস্থা নহ'ল, এই বিষয়ত ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি তাৰ এটা বিহীত ব্যৱস্থা লবলৈ যত্ন কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ) : সেইটো খবৰ মোৰ হাতত নাই, যেতিয়া মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই উল্লেখ কৰিছে সেই সম্বন্ধে এটা বিহীত ব্যৱস্থা লবলৈ চেষ্টা কৰা হ'ব।

## Rc : **Soaring price of rice**

Shri Dulal Chandra Barua asked :

* 94. Will the Minister, Supply be pleased to state—

(a) Whether Government is aware of the soaring price of rice in the market due to the proposed Rice Trade take-over ?

(b) If so, what steps Government have taken to the rise of price to prevent the unscrupulous traders from taking under advantage of the situation ?

(c) Whether it is a fact that smuggling of rice outside the State of West Bengal and Bangladesh is going on regularly ?

(d) If so, what special measures have been adopted by the Government to prevent such smuggling and with what results ?

Shri Gajen Tanti ( Minister, Supply ) replied :

94. (a) The increase in the price of rice in the open market is not due to the take over of the wholesaletrade by

Government but to the scarcity of open market rice which was prevailing in the State till a short time ago.

(b) To prevent unscrupulous traders from taking undue advantage of the situation Government have enforced strict watch over the activities of the traders in general and from time to time have arrested under D. I. R. and M. I. S. A. several traders indulging in hoarding, blackmarketing, etc.

(c) Reports are recived by Government from time to time about sumggling of rice outside the State.

(d) Government have recently posted armed police in addition to supply staff at check gates and check posts for prevention of smuggling. They have also made arrangments for patrolling by mobile squads in strategic districts. The price of open market rice which has come down recently is partly due to the diminution in the smuggling of rice outside the State because of the special measures taken by the Government as above.

Shri Dulal Ch. Barua : Sir, the Hon'ble Minister has stated that the price of rice has not been inreased due to take over of the rice by the Govt. from 1st of November '73 May I know from the Hon'ble Minister what the price of rice before November and what is the price of rice at present per Kg. ?

Shri Gajen Tanti ( Minister, Supply ) : Mr. Speaker Sir, from 1st of November Govt. has not taken over the rice. Govt. has taken only the wholesale of the rice trade. In Govt. Fair Price Shops, before November the price was Rs. 1·32 per Kg.

Mr. Speaker : He is stating about the open market price.

Shri Gajen Tanti ( Minister ) : Sir, open market price is different in different place.

Shri Dulal Ch. Barua : The average price of corse rice before November was Rs. 1·32 per Kg. Now it has been increased to 1·65 to 1·75 after taking over the trade by the Govt. What are the reasons there of ?

Shri Gajen Tanti ( Minister ) : This matter was discussed in several times here and yesterday also I replied that when the procurement rice has been increased from Rs. 56 to Rs. 70 per quintal, the issue price also has been increased from. 1·32 to 158.

Shri Dulal Ch. Barua : Are we to undestand that, because of the wrong calculation on the part of the Govt. in fixing the price of paddy by F. C. I. that the price has been increased.

Shri Gajen Tanti ( Minister ) : Yes Sir, I have agreed to distribute the calculation of the price and Chief Minister has also agreed to discuss this matter with the Hon'ble members.

Shri Dulal Ch. Barua : Sir, the Hon'ble Minister has state that many people have been arrested under D. I. R. for hoarding and for other charges. May I know, what are the number of such persons arrested during the last 3 months.

Shri Gajen Tanti ( Minister ) : Sir, the list is not with me.

Shri Dulal Chandra Barua : Sir, May I know from the Hon'ble Minister as he has stated that in respect of smuggling of rice, precautioneries measures have been taken in the border areas. It is noticed that even now the rice is going out of the State to West Bengal, Nagaland and also to Bhutan, though there is check gates and check posts. What are the definite steps that are going to be taken to stop such smuggling ?

Shri Gajen Tanti ( Minister ) : Sir, I have already said that Government have recently posted armed police in addition to supply staff at check gates and check posts for prevention of smuggling. They have also made arrangements for patrolling by mobile squads in strategic districts we have also posted the police with arms.

শ্ৰীলক্ষীকান্ত শইকীয়া : চাৰ, মন্ত্ৰী মহোদয়ে কৈছে যে চাউল বাহিৰলৈ যাব নোৱাৰাৰ কাৰণে ব্যৱস্থা লৈছে কিন্তু মঙ্গলদৈ মহকুমাৰ ভৈৰৱকুণ্ড অঞ্চলত ওচৰতে এগৰাকী ভূটানৰ এম-এল-এ ই প্ৰাইভেট মিল বহুৱাই আমাৰ ইয়াৰ পৰা চালল নিয়াৰ ব্যৱস্থা কৰিছে আৰু সেই চাউল পশ্চিমবঙ্গলৈ গৈছে এইটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) এইটো খবৰ মোৰ হাতত নাই যদি কথাটো হয় অনুসন্ধান কৰি যত্ন লম।

Shri Bishnanath Upadhaya : Sir, may I know from the Hon'ble Minister whether Govt. have received any report from the district authorities of Cachar that the B.S.F. and Military personal are also smuggling rice to Mizoram, Meghalaya and Bangladesh. If so, what steps have been taken by the Govt. to control it ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) সেইটো খবৰ আমাৰ নাই, আমি অনুসন্ধান কৰি চাম।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড চৰকাৰী চাউলৰ দাম বঢ়াই দিছে কিন্তু কিয় বঢ়াই দিছে সেইটো পিচত ইয়ালৈ আলোচনাৰ কাৰণে আহিব মন্ত্ৰী মহোদয়ে দাঙি ধৰিম বুলি কৈছে। কিন্তু প্ৰশ্ন হৈছে যে এইটো সঁচানে যে চৰকাৰী চাউলৰ দাম বঢ়াই দিয়াৰ লগে লগে মুকলি বজাৰত যিবিলাক সস্তীয়া চাউল পোৱা গৈছিল সেই বিলাকৰ দামো ১'৪৫ টকাৰ পৰা ১'৭৫, ১'৮০ টকা পাইছেগৈ ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) অসমৰ কোনো কোনো ঠাইত এইটো কথা শঁচা হৈছে।

Shri Prabin Choudhury : Sir, whether Govt. is aware that huge quantity of paddy stock purchased by F.C.I. has been taken out side the State with the knowledge of the Govt. ?

Shri Gajen Tanti ( Minister ) : এই বিষয়ে অনুসন্ধান কৰি চাব লাগিব।

Shri Atuar Rahman : Sir, what specific steps have been taken to prevent smuggling by river roads ?

Shri Gajen Tanti ( Minister ) : Sir, regarding river roads We are taking some measure in the meantime we are try in to bring some engine boats for the river and in the river also we are going to post some police people with arms and a menities.

শ্ৰীকন্দৰ্প কুমাৰ দাস মন্ত্ৰী মহোদয়ে জনাইছে যে ধান আৰু চাউলৰ স্মাগলিং কৰাৰ কাৰণে মূল্য যথেষ্ট বৃদ্ধি হৈছে, মই জানিব বিচাৰিছো যে বৰপেটা মহকুমাত ধান চাউলৰ চোৰাং ব্যৱসায় কৰাৰ কাৰণে কিমান জনক গ্ৰেপ্তাৰ কৰিছে আৰু কিমানজন জেলত আছে আৰু চৰকাৰী হ'লচেল ব্যৱসায় কৰা লোক এজনক ৯৫ কুইন্টল চাউল পাই ধৰা পোলোৱাত কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) মই আগতে কৈছো যে এইটো অনুসন্ধান কৰিব লাগিব।

ডাঃ স্মুৰেণ দাস ঃ বৰ্ত্তমান চাউলৰ দাম বাঢ়ি যোৱাৰ কাৰণে ধানৰ মিল বিলাকৰ মালিকে ধান বনা চাৰ্জ বঢ়াবলৈ মুখ্যমন্ত্ৰীৰ ওচৰত আবেদন জনাইছে এই সম্পৰ্কত মিল মালিক সকলক ধান বনা চাৰ্জ বঢ়াই দিয়াৰ কি ব্যৱস্থা কৰিছে ?

শ্ৰীগজেন তাঁতী(মন্ত্ৰী) প্ৰাইচ ষ্ট্ৰাকচাৰ অনুযায়ী আগতে দিয়া মিলিং চাৰ্জতকৈ এতিয়া বঢ়াই দিয়া হৈছে।

চৈয়দা আনোৱাৰা টাইমুৰ ঃ চাহপাতৰ বাকচত ওপৰত চাহপাত দি তলত চাউল ভৰাই বাহিৰলৈ নিয়া খবৰ মন্ত্ৰী মহোদয়ে পাইছেনে যদি পাইছে তাৰ কি ব্যৱস্থা কৰিছে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) সেইটো খবৰ নাই কিন্তু ব্যক্তিগত 'ন'লেজো আছে যে চাহপাতৰ লগত কোনো আন বস্তু মিহলাই নিব নোৱাৰি । চাহপাতৰ লগত আন কিবা বস্তু মিহলি হলে চাহপাতৰ ফ্লেভাৰ নষ্ট হয় । তাৰোপৰি চাহপাত চাউলতকৈ বহুত বেছি দামী গতিকে সেইদৰে নিব বুলি ভবা নাযায় ।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড ঃ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চৰকাৰী ভাৱে দিয়া চাউল ইমান বেয়া যে সেই সস্তীয়া দোকানত স্থলভ মূল্যত দিয়া চাউল বিলাক গৰু গাহৰিৰো অখাদ্য আৰু ফলত মানুহে মুকলি বজাৰত চাউল কিনিবলৈ বাধ্য হৈছে আৰু তাকেই ব্যৱসায়ী সকলে স্থবিধা হিচাবে লৈছে এইটো কথা সঁচানে ?

শ্ৰীগজেন তাঁতী ঃ অসমৰ সকলো ঠাইতে নহয় , কিন্তু কোনো কোনো ঠাইত চাউল বেয়া হৈছে সেইটো গুচাই ভাল চাউল দিবলৈ ব্যৱস্থা কৰা হৈছে ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চোৰাং ধান-চাউল ৰেলত ভিক্ষাৰী বেশেৰে অহা যোৱা কৰি টোপেলাত লৈ যায় । এই কামটো চৰকাৰে জানেনে ? এই সম্পৰ্কে ব্যৱস্থা লৈছেনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ এই বিষযে ব্যৱস্থা লোৱা হৈছে।

Re : Divisional Transport Office Building

Shri Jagannath Sinha asked :

*95. Will the Minister, Transport be pleased to state

(a) Whether a Building for housing Divisional Transport Office has been constructed at Silchar ?

(b) If so, when ?

(c) The reasons for not starting the office as yet ?

Shri Harendra Nath Talukdar ( Minister, Transport ) replied :

95. (a) Some buildings for State Transport Corporation are under construction at Maherpur, Silchar.

(b) The work was started in the last part of 1970 and it is in progress.

(c) The buildings have not been handed over to the Corporation by P.W.D. as yet.

Shri Jagannath Singh : Sir, whether the offices will be shifted to the building at Meherpur as soon as it is handed over by the P.W.D. ?

Shri Harendra Nath Talukdar ( Minister, Transport ) : That is the purpose.

Shri Atul Saikia : Sir, the Minister has stated that all the buildings at Meherpur are not yet complete. If that is so how some families are staying there for the last two years or so ?

Shri Harendra Nath Talukdar ( Minister ) : Almost all buildings except the workshop building, the Garage and Assistant Engineer's office are complete. I have no information about some families occupying the buildings.

Shri Ataur Rahman : What are the norms for the establishment of Divisional Transport office ?

Shri Harendra Nath Talukdar ( Minister ) : That depends on the workload.

Shri Jagannath Singh : Is it a fact that the Transport authorities made some negotiation with the Silchar Medical College authorities and that some part of the buildings at Meherpur has been handed over to the Silchar Medical College for the time being ?

Shri Harendra Nath Talukdar ( Minister ) : The Medical Department approached the Transport Corporation for making available some of buildings for the accommodation of Medical College staff, but no agreement has been arrived at.

Shri Dulal Chandra Barua : May I know when the construction work was undertaken, who was the contractor and what is the amount already spent.

Shri Harendra Nath Talukdar ( Minister ) : I have already stated that the work was started in the later part of 1970. The name of the centractor is not with me. The amount spent uptill now is 13,84,074.00.

Shri Dulal Chandra Barua : What was the estimated amount ?

Shri Harendra Nath Talukdar ( Minister ) : The original estimate was Rs. 14 lakhs and the revised estimate was Rs. 23 lakhs and odd.

Shri Dulal Chandra Barua : Is it not a fact that due to certain faults the Govt. hand to spend double the amount ? If so, whether any responsibility was fixed ?

Shri Harendra Nath Talukdar ( Minister ) : At the beginning, ofcourse, there was deadlock in the construction of the buildings. When about 8 lakhs of rupees were spent

the P.W.D. informed us that the estimate will have to be revised, and, accodingly, we asked the P.W.D. to make the revised estimate. Meanwhile P.W.D. stopped the work and for that the contractor filed a suit in the Court. The contractor then stated that he would work only if the rate is increased. Then there was negotiation and the case was withdrawn. Ultimately the Corporation requested the Government to take up the matter with the P.W.D. and requested them to fix up the responsibility.

Shri Atul Saikia : What is the difficulty in taking possession which have been completed on a pieccemeal basis ?

Shri Harendra Nath Talukdar ( Minister ) : We do not like to take on piecemeal basis. We want to take the completed buildings at a time.

## বিঃ গোলাঘাটৰ পানী যোগান আঁচনি

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*৯৬। মাননীয় পৌৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট টাউনৰ গোলাঘাট মিউনিচিপালিটি বোৰ্ডৰ পানী যোগান আঁচনিখনৰ ৰিকাষ্ট স্কিম কেতিয়া কোন তাৰিখত লোৱা হৈছে ?

(খ) এই স্কিমটোৰ আঁচনিখনৰ মুঠ খৰছ কিমান হব আৰু এতিয়ালৈকে কিমান খৰচ হৈছে ?

(গ) এই স্কিমৰ আঁচনিখনৰ দ্বাৰা কিমান লোকক পানী যোগান দিব পৰা বুলি ঠাৱৰ কৰা হৈছে ?

শ্ৰীচৈয়দ আহমেদ আলী (পৌৰ বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

৯৬। (ক)—১৯৭০ চনৰ মাৰ্চ মাহত।

(খ)—আঁচনিৰ মুঠ খৰচ ২৪,৫৪,০০০ টকা। ১৯৭৩ চনৰ অক্তোবৰ মাহলৈকে মুঠ ৪,১৪,১৬৮·৭৮ টকা খৰছ কৰা হৈছে।

(গ)—আঁচনিখন সম্পুৰ্ণ হলে প্ৰায় ৩০,০০০ লোকক পানী যোগান দিব পৰা হব।

শ্ৰীসোণেশ্বৰ বৰা ঃ এই স্কিম খনৰ টকা কোনে দিয়ে, কাম কোনে কৰে, দায়িত্ব কাৰ ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ টকাটো মিউনিচেপেল বিভাগক ঋণ হিচাবে দিয়া হয় আৰু কাম কৰাৰ দায়িত্ব হল পাব্লিক হেলঠ্ ইঞ্জিনিয়াৰিং ডিপাৰ্টমেণ্টৰ।

শ্ৰীসোণেশ্বৰ বৰা ঃ কাম বেয়া ভালৰ জগৰীয়া কোন ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ যি কাম কৰিব সি জগৰীয়া হব।

চৈয়দা আনোৱাৰা টাইমূৰ ঃ খোৱা পানী যোগানৰ আচনিৰ কাম খৰতকীয়া কৰিবৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

চৈয়দা আনোৱাৰা টাইমূৰ ঃ মঙ্গলদৈৰ খোৱা পানী যোগানৰ আচনি খন আজিলৈ কিয় সম্পূৰ্ণ হৈ উঠা নাই ? গাখীৰ যোগান বা মাছ যোগান আদিত উতপাদন কৰি দিব লাগে। সেই হেতুকে খোৱা পানী যোগানত আচনি খন খৰতকীয়া কৰাৰ কি ব্যৱস্থা গ্ৰহন কৰিছে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী ঃ কোনো কোনো ঠাইত লেহেম হৈছে কাৰণ চইল টেষ্টিং আদিৰ কথা আছে।

শ্ৰীপ্ৰেমধৰ বৰা ঃ ২৪ লাখ ২৯ হাজাৰ টকাৰে যুগুত কৰা আচনি খন আৰম্ভ কৰা হৈছে ১৯৭০ চনত। দেখা গল এতিয়া লৈকে মাত্ৰ ৪লাখ ১৯ হাজাৰ টকাৰ কাম হৈছে। গোটেই আচনি খন সু-সম্পন্ন কৰিবলৈ কিমান দিন লাগিব তাৰ কিবা নিৰ্দ্ধাৰিত তাৰিখ আছেনেকি ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) ঃ এই আচনি খন হল ৰিকাষ্ট আচনি। আমাৰ দুটা আচনি হৈছে, এটা হল মধ্য কালীন আচনি আৰু আনটো হল অৰিজিনেল। ইয়াত ৬লাখ ৫৭ হাজাৰ ৩৯০ টকা দিয়া হৈছে। মিউনিচিপেল বিভাগে ২লাখৰ ওপৰত খৰচ কৰিছে। মধ্যকালিন আচনিত ৬ লাখ ৪৩ হাজাৰ ৫শ টকা দিয়া হৈছে।

তাৰ ভিতৰত ৪ লাখ ১৯ হাজাৰ খৰচ হৈছে। আমি এতিয়া ৰিকাষ্ট আচনি কৰিছো। এইটোত লাগিব ২৪ লাখ ৫৪ হেজাৰ টকা-এতিয়া তাৰ পৰা ৪ লাখ ১৪ হেজাৰ খৰচ হৈ গল। বাকীখিনি টকাৰ কাম অহা বছৰত কৰিম বুলি বিবেচনা কৰি আছো। কিন্তু অহা বছৰত পঞ্চ বাৰ্ষিক পৰিকল্পনা আৰম্ভ হব। গতিকে ইমান টকা আমাৰ ৰাজ্যিক বাজেটৰ পৰা খৰছ কৰা টান। সেইকাৰণে আমি নেচনেল ৱাটাৰ চাপ্লাইৰ পৰা আনিবৰ কাৰণে ষ্টেটমেণ্ট কৰাৰ কাৰণে চেষ্টা কৰি আছো।

শ্ৰীআতাউৰ ৰহমান ঃ টকা দিয়ে মিউনিচিপেলিটি এডমিনিষ্টেচনে আৰু কাম কৰে পাব্লিক হেলঠ্ ইঞ্জিনিয়াৰে। কিন্তু মিউনিচিপেলিটিৰ কোনো ৰকমৰ তদাৰক কৰিবৰ কাৰণে অধিকাৰ আছেনেকি ? যদি নাই আৰু যদি কাম বেয়া হয় তেতিয়া কোনে মাত মাতিব ? যেনে মঙ্গলদৈত হল- এই বিষয়ে চৰকাৰে কি ভাবিছে ?

শ্ৰীচৈয়দ আহমদ আলি ( মন্ত্ৰী ) ঃ— তদাৰক কৰাৰ দায়িত্ব হল মিউনিচি-পেল্টি বিভাগৰ। আৰু কামটো কৰে পাবলিক হেলঠ্ ইঞ্জিনিয়াৰে। যদি কোনো ঠাইত কামৰ ব্যতিক্ৰম হয়-সেইটো আমাৰ দৃষ্টিগোচৰলৈ আনি দিলে আমি তাৰ বিহিত ব্যৱস্থা লম।

শ্ৰীলীপ্ৰা কান্ত দাস ঃ— অধ্যক্ষ মহোদয় মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নেকি যে উত্তৰ লক্ষীমপুৰতো পানী যোগান সম্পৰ্কত কিবা আচনি কৰি-ছেনেকি ? যদি কৰিছে সেই সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীচৈয়দ আহমদ আলি ( মন্ত্ৰী ) ঃ—সেইটো মই এতিয়াই কৈ দিব নোৱাৰো। পাছতহে কব পাৰিম।

Shri Atul Chandra Saikia : As financial assistance is obtainable, may I know whether Govt of Assam has approved any specialised agency of the U.N.O through the Govt. of India ?

Shri Syed Ahmed Ali ( Minister ) : Uptil now, no such cccassion has arisen.

শ্ৰীসোনেশ্বৰ বৰা ঃ—টকা হল মিউনিচিপেলিটিৰ আৰু কাম কৰিব লাগিব হেলথ্ বিভাগে। এই দুই বিভাগৰ মাজত সমন্বয় ৰক্ষাৰ কাৰণে গোলাঘটীয়া ৰাইজে পানী খাবলৈ নাপাই জীয়াতু ভূগিছে, এই কথা মন্ত্ৰী মহোদয়ে স্বীকাৰ নকৰেনে ?

শ্ৰীচৈয়দ আহমদ আলি ( মন্ত্ৰী ) ঃ— আমি ভবাত এইটো বোধকৰো নহয়, অইন কিবা কাৰণো থাকিব পাৰে।

Re ; General Manager of Assam and Meghalaya State Road Transport Corporation

Shri Atul Chandra Saikia asked :

* 97. Will the Minsiter, Transport be pleased to state—

(a) Whether the General Manager of the Assam and Meghalaya State Road Transport Corporation is a part-time Officer ?

(b) If so, Whether Government is aware that it has hamperred the smooth running of the Corporation ?

(c) What is the total amount drawn by the said General Manager of the Corporation as T.A. & D.A. for travelling between Shillong and Gauhati in the year 1972—73.

Shri Harendra Nath Talukdar ( Minister, Transport ) replied :

97. (a)—Yes.

(b) Although the present arrangement has not hamperred the smooth running of the Govt. for manning the post of General Manager with full time vfficer.

(c) An amount of Rs. 3,217·96 p. has been drawn on account of T.A. & D.A. during 1972-73 by Shri S.P. Hazarika and out of the said amount Rs. 2,810·70 was drawu as T.A. and D.A. for attending Corporation works at different places including Shillong, Gauhati.

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ— সিদিনা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে এইটো এটা শিশু অনুস্থান কাৰণেই নিগমৰ সভাপতি তেখেত নিজে হব লগা হৈছে। গতিকে এনেকুৱা এটা শিশু অনুস্থানত এজন আংশিক বিষয়াৰ দ্বাৰা কেনেকৈ নিয়াৰিকৈ কাম চালাইছে বুজাই ক’বনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ— সিদিনাওঁ কৈছো যে এই বিষয়াজনৰ অভিজ্ঞতা থকাৰ কাৰণে এনেকুৱা এটা দুৰ্ব্বল অনুস্থানক সবল কৰি তুলিবলৈ তেওঁৰ চাকৰি লাগতিয়াল বুলি বিবেচনা কৰি প্ৰধান পৰিচালক হিচাবে ৰখা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ— অক্তোবৰ মাহত এই বিষয়াজনে মাত্ৰ ৪ দিনহে গুৱাহাটীত অফিছ কৰিছে এই কথা সচানে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ— এইটো নতুন প্ৰশ্ন।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ— বিভাগটো শক্তিশালী কৰিবৰ কাৰনে এই পদটোত এনেকৈ খৰচ নকৰি অন্যৰ দ্বাৰা কাম চলাব নোৱাৰিনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ— এই কথাটো মই বুজিব পৰা নাই।

শ্ৰীজগন্নাথ সিংহ ঃ— প্ৰধান পৰিচালকৰ দৰ্ম্মহা কিমান ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ—দৰ্ম্মহা এও বেলেগ নাপায়, চৰকাৰৰ পৰা পায়।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ— নিগমৰ প্ৰধান পৰিচালক হিচাবে কিবা অতিৰিক্ত সুবিধা পাইছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ— ভ্ৰমণ ভাট্টা চৰকাৰৰ পৰা পায়।

তদুপৰি ১৯৭২-৭৩ চনত ৫০০০·০০ হাজাৰ টকা দিয়া হৈছে আৰু নিগমৰ ফালৰ পৰা এখন গাড়ী দিয়া হৈছে কিন্তু পেট্ৰল নিজৰ আৰু দিনে নিশাই কাম কৰিবলগীয়া হোৱা কাৰনে থাকিবলৈ এটা ঘৰ দিয়া হৈছে আৰু বৰ্ত্তমান একক হিচাবে গড়কাপ্তানি বিভাগে ৰেন্ট ঠিক নকৰালৈ ২০০·০০ টকাকৈ ঘৰ ভাৰা দিয়া হৈছে আৰু তেখেতৰ বাসভবনত এটা ফোন দিয়া হৈছে।

শ্ৰীসুভংকৰ সিংহ ঃ মন্ত্ৰী মহোদয়ে কলে যে তেওঁ দিনে নিশাই কাম কৰিব লগীয়া হৈছে। দিনে নিশাই কাম কৰিবলৈ এজন পাৰ্ট টাইম লোক কিয় ৰাখিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) ঃ মই আগতে কৈছো যে তেখেতৰ চাকৰিৰ তাত প্ৰয়োজন আছে কাৰণে তাত ৰখা হৈছে।

শ্ৰীহিৰণ্য বৰা ঃ মন্ত্ৰী মহোদয়ে তেখেতক ঘৰ দিব খুজিছে কিন্তু তেখেতৰ নিজা ঘৰ আছে এই কথা মন্ত্ৰী মহোদয়ে নাজানে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) ঃ সেইটো মই নাজানো।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড ঃ তেখেতক যে ৮·৩৩ শতকৰা হিচাবে বোনাচ দিয়া হৈছে এই কথা মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) ঃ সেই খবৰ মোৰ হাতত নাই।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ তেওঁ তুয়োটা কামত অসুবিধা পোৱা বুলি ৰেহাই দিবলৈ চৰকাৰক অনুৰোধ কৰিছে এই কথা মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) ঃ তেনেকুৱা অনুৰোধ মোৰ ওচৰত নাই। অৱশ্যে মই বোৰ্ডৰ চেয়াৰমেন হিচাবে আৰু বোৰ্ডৰ সভ্য সকলেও তেখেতৰ চাকৰি ইয়াত লাগতিয়াল বুলি ইয়াত থাকিবলৈ অনুৰোধ কৰিছে।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা ঃ— তেখেতৰ কাৰ্য্যকাল লাগতিয়াল বুলি যদি চৰকাৰে ভাবিছে তেনেহলে সকলো বিভাগতে তেখেতক অফিছাৰ অন স্পেচিয়েল ডিউটি কৰি ৰাখি থোৱাৰ কথা চৰকাৰে বিবেচনা নকৰে নে ?

বিঃ অসম সমবায় চেনিকল

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে ঃ

*৯৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম সমবায় চেনিকলৰ প্ৰতিবছৰে হোৱা হিচাব পৰীক্ষকৰ মন্তব্যত উল্লেখিত আসোঁৱাহ সমূহৰ মতে বহু লাখ টকাৰ হিচাব অনিয়মিত ভাবে ব্যৱহাৰ কৰা বা খৰচ কৰা কথাটো সঁচানে ?

(খ) যদি সঁচা হয় আৰম্ভণিৰ পৰা বৰ্ত্তমানলৈকে হিচাব পৰীক্ষকৰ আসোঁৱাহ মতে মিল কৰ্ত্তৃপক্ষই বিভিন্ন লোক আৰু প্ৰতিষ্ঠানৰ পৰা কিমান টকা ঘূৰাই পোৱা হ'ল ?

(গ) প্রতিবছৰৰ হিচাব পৰীক্ষকৰ আসোঁৱাহ সমূহ দূৰীকৰণৰ বাবে মিল কৰ্তৃপক্ষই কি কি ব্যৱস্থা হাতত লৈছে ?

(ঘ) অসম সমবায় চেনিকলৰ নিজা বিত্তীয় বিধি আছেনে ?

(ঙ) এই চেনিকলৰ কৰ্ম্মচাৰীসকলৰ আৰু কৰ্ম্মীসকলৰ বাবে নিজা 'চাৰ্ভিচ কণ্দাক্ত ৰুল আছেনে ?

শ্ৰীগজেন তাঁতী (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৯৮। (ক) —চেনিকলৰ হিচাব পৰীক্ষকৰ মন্তব্যত মিলৰ টকা অনিয়মিত ভাবে খৰচ হোৱা বিষয়ে উল্লেখ কৰা কথা সঁচা।

(খ) —১৯৬৯-৭০ চনলৈকে দিয়া বিভাগীয় হিচাব পৰীক্ষকৰ হিচাবমতে ঘুৰাই পাব লগা টকা—

১। বিভিন্ন লোক আৰু প্ৰতিস্থানৰ পৰা—

পাবলগা—টকা ৩,০৭,০৫৫·৬৯

ঘুৰাই পোৱা—টকা ১,৩১,২৮৭·৬৫

পাবলৈ আছে—টকা ১,৭৫,৭৬৮·০৪

২। বিভিন্ন কৰ্ম্মচাৰীৰ পৰা—

পাব লগা—টকা ৪৪,৪২৬·৪৪

পাবলৈ আছে—টকা ৪৪,৪২৬·৪৪

৩। হেৰুৱা চেকৰ বাবদ—

পাব লগা—টকা ২১,৪০০·০০

পাবলৈ আছে—টকা ২১,৪০০·০০

(গ)—১৯৬৮-৬৯ চনলৈকে পোৱা উদ্ধৃত পত্ৰত হিচাব পৰীক্ষকে দিয়া নিৰ্দ্দেশ মতে বিভিন্ন লোক আৰু প্ৰতিষ্ঠানক অনিয়মিত ভাবে টকা দিয়াটো বন্ধ কৰা হৈছে। ইয়াৰ উপৰিও চেনি উৎপাদনৰ খৰচ কমে বা হিচাব বিভাগ পুনৰ গঠন বাজেট মতে খৰচ কৰা, মুকলি বজাৰৰ চেনি বিক্ৰীৰ সঠিক হিচাব ৰখা, কৰ্ম্মচাৰী সকলৰ সেৱাসূচী তৈয়াৰ কৰা, গুদাম, যানবাহন আদি বিষয়ত উল্লেখ কৰা আসোঁৱাহ সমূহ দূৰীকৰণৰ বাবে মিল কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিছে।

(ঘ)— বেলেগে নিজা নাই কিন্তু কাৰখানা আইন (Factory Act) কেন্দ্ৰীয় আইন (Central Act) আৰু অসম চৰকাৰৰ বিত্তীয় বিধি মানি চলে।

(ঙ)— বেলেগ নিজা নাই কিন্তু কাৰখানা আৰু কেন্দ্ৰীয় চেনি মঞ্জুৰী ব'ৰ্ডৰ নিজস্ব চাৰ্কুলাৰ আৰু অসম চৰকাৰৰ নিয়মাবলী মানি চলে।

বিঃ অসম সমবায় চেনিকলৰ আত্মসাৎ হোৱা টকা

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে ?

*৯৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭১-৭২ চনত অসম সমবায় চেনিকলৰ পুজিৰ পৰা আত্মসাৎ হোৱা ৪.২৫ হাজাৰ টকাৰ উদ্ধাৰৰ কাৰণে মিল কৰ্তৃপক্ষই কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

(খ) অসম সমবায় চেনিকলৰ পৰিচালনা সমিতিৰ বৈঠকত উক্ত আত্মসাৎ হোৱা টকাৰ সম্পৰ্কত কিবা সিদ্ধান্ত ইতিমধ্যে লোৱা হৈছে নেকি ?

(গ) যদি লোৱা হৈছে, তাৰ কাৰ্য্যবিৱৰণীৰ এটি নকল সদনত দাঙি ধৰিবনে ?

শ্ৰীগজেন তাঁতী (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৯৯।(ক)— আত্মসাৎ হোৱা টকাৰ পৰিমাণ ৪,০৬,০৪৯.২২ টকাহে। তাৰে ৪,০৪,০৩৭.৮২ টকাৰ উদ্ধাৰৰ কাৰণে মিল কৰ্তৃপক্ষই সমবায় বিভাগৰ নিয়মতে লিপ্ত থকা চাৰিওজন কৰ্ম্মচাৰীৰ বিৰুদ্ধে সমবায় বিভাগৰ ওচৰত চালিচি গোচৰ দাখিল কৰিছে।

(খ)—হয়। লোৱা হৈছে।

(গ)—কাৰ্য্য বিৱৰণীৰ সত্য নকল সদনৰ মেজত ৰখা হ'ল।

বিঃ অসম সমবায় চেনিকল লিমিটেডৰ আত্মসাৎ হোৱা টকা

শ্ৰীনগেন বৰুৱাই সুধিছে ঃ

*১০০ মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম সমবায় চেনিকল লিমিটেডৰ পুজিৰ পৰা আত্মসাৎ হোৱা ৪.২৫ লাখ টকাৰ কিবা গোচৰ কৰ্তৃপক্ষই দেৰগাওঁ আৰক্ষী থানাত তৰিছিল নেকি ?

(খ) যদি তৰিছিল কোন তাৰিখত আৰু এই সংক্ৰান্তত কাৰোবাক গ্ৰেপ্তাৰ কৰা হৈছিল নেকি ?

(গ) এই গোচৰৰ চাৰ্জচিত আদালতত দাখিল কৰা হ'ল নে আৰু যদি হ'ল, কোন তাৰিখত আৰু কোন আদালতত ?

(ঘ) আত্মসাৎ হোৱা সংক্ৰান্তীয় নথি-পত্ৰ সমুহ বৰ্ত্তমান কেনে অৱস্থাত আৰু কাৰ জিম্মাত আছে ?

শ্ৰীগজেন তাঁতী ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১০০। (ক)— অসম সমবায় চেনিকল লিমিটেডৰ পুজিৰ আত্মসাৎ হোৱা মুঠ টকা ৪,০৬,০৪৯·২২ টকাহে । সম্পুৰ্ণ টকাৰ গোচৰ চেনিকল কৰ্তৃপক্ষই গোলাঘাট মহকুমা আৰক্ষী বিষয়াৰ ওচৰত আৰু দেৰগাওঁ আৰক্ষী থানাত তৰিছিল ।

(খ)—তলত উল্লেখ কৰা মতে বিভিন্ন টকাৰ কাৰণে গোচৰ তৰা হৈছিল ।

(১) ৬।৯।৭২ তাৰিখে ২,১০,৯৫৯·০৩ টকা
(২) ১৬।৯।৭২ তাৰিখে ১,০২,১২০·৯৭ „
(৩) ১১।১২।৭২ তাৰিখে ৮৮,৩১৬·৩৪ „
(৪) ২৭ ৯ ৭২ তাৰিখে ২,০১১·৪০ „
(৫) ১৯৭৩ নবেম্বৰ মাহত ২,৬৪১·৪৮ „

মুঠ— ৪,০৬,০৪৯·২২ টকা

এই সংক্ৰান্তত তলত উল্লেখ কৰা ৪ (চাৰি) জন চেনিকলৰ কৰ্ম্মীক গ্ৰেপ্তাৰ কৰা হৈছিল—

১। শ্ৰীগোলাপ চন্দ্ৰ দাস—ধন ভড়ালী,
২। শ্ৰীতুলসী নাৰায়ণ শৰ্ম্মা—সহকাৰী ধন ভড়ালী,
৩। শ্ৰীনলিনী ৰঞ্জন বৰুৱা } সহায়ক ।
৪। „ ধনেশ্বৰ শইকীয়া }

(গ)— এই গোচৰ বোৰৰ চাৰ্জচিত কোনো আদালতত দখিল কৰা হোৱা নাই, যেহেতু এইবোৰ গোচৰ এতিয়াও পুলিচৰ অনুসন্ধানত আছে ।

(ঘ)— আত্মসাৎ হোৱা সংক্ৰান্তীয় নথি-পত্ৰ সমূহ পুলিচে জব্দ কৰি তেওঁলোকৰ জিম্মাত ৰাখিছিল । কিন্তু তাৰে কিছুমান নথি-পত্ৰ তদন্ত কৰিবৰ কাৰণে আৰু হিচাব পৰীক্ষকক দেখুৱাবৰ কাৰণে পুলিচ কৰ্তৃপক্ষৰ চাহিদা মতে ঘূৰাই দিয়াৰ চৰ্ত্তত চেনিকলৰ পৰিচালনা সঞ্চালকে আনিছে আৰু বৰ্ত্তমান সেই নথি-পত্ৰসমূহ পৰিচালনা সঞ্চালকৰ জিম্মাতেই আছে ।

( Starred question No. 98 & 100 were taken up together and supplementaries kept pending as Question Hour was over. )

Undisposed Questions of 29th Nov. 73

বিঃ তিনিচুকীয়া অসামৰিক চিকিৎসালয়

শ্ৰীমতী তৰুলতা বৰাই সুধিছে ঃ

*১০১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৰনে—

(ক) তিনিচুকীয়া অসামৰিক চিকিৎসালয়ৰ বাবে চৰকাৰে পঁচিশ বিঘা মাটি দান পোৱা কথাটো সঁচানে ?

(খ) সেই মাটিত চৰকাৰে চিকিৎসালয়খন পাতিবৰ বাবে কিমান দূৰ আগবাঢ়িছে ?

শ্ৰীছত্ৰসিং টেৰণ ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১০১। (ক)—তিনিচুকীয়া আসামৰিক চিকিৎসালয়ৰ বাবে Tinsukia Development Corporation পঁচিশ বিঘা মাটিৰ দানৰ প্ৰস্তাৱ চৰকাৰৰ ওচৰত দিছে।

(খ)— বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Re : Rice Trade Take Over

Shri Dulal Chandra Barua asked :

*102. Will the Minister, Supply be pleased to state—

(a) Whether the proposed Rice Trade take-over by the Government will result in an additional financial burden on the State ?

(b) If so, to what extent and how the additional burden will be met ?

(c) Whether re-organisation of the Supply Department machinery is proposed to be made to ensure proper success of the Government policy of Rice Trade take-over ?

(d) If so, in what manner ?

Shri Gajen Tanti ( Minister, Supply ) replied :

102. (a) No Sir.

(b) Does not arise.

(c) Reorganisation of the Supply Department machinery is not necessary for success of the take-over of wholesale trade in rice as the present machinery is competent enough to carry out the Government decision in the matter.

(d) Does arise

বিঃ ৰবি শস্য উৎপাদনৰ আঁচনি

শ্রীসোনেশ্বৰ বৰাই সুধিছে :

*১০৩। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) ১৯৭২-৭৩ চনত ৰবি শস্য উৎপাদন আঁচনি মতে অসমৰ ৰাজ্যত চৰকাৰী প্রজেক্টত সর্ব্বমুঠ কিমান বিঘা বা একৰ মাটিত খেতি কৰা হল আৰু এই চনত ৰাজ্য খনত চৰকাৰী প্রচেষ্টা নোহোৱাকৈ আৰু চৰকাৰী সহায়সাহার্য্য নোহোৱাকৈ কিমান মাটিত ৰাইজে খেতি কৰিছে ?

(খ) ৰাজ্যখনত চৰকাৰী প্রচেষ্টাত হোৱা ৰবি শস্য উৎপাদন আঁচনিত কোন মহকুমাত কি কি বিধৰ সঁচ কিমানকৈ বিতৰণ কৰা হল আৰু এই সঁচ বিলাকৰ মূল্য কিমান বিতংকৈ জনাবনে ?

(গ) ৰাজ্যখনত এই বছৰত চৰকাৰী প্রচেষ্টাত হোৱা ৰবি শস্য কিমান উৎপাদন হব বুলি অনুমান কৰা হৈছে আৰু এতিয়ালৈকে কিমান উৎপাদন হল বুলি নির্ণয় কৰা হৈছে ?

শ্রীউপেন্দ্র দাস (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

১০৩। (ক)— ১৯৭২-৭৩ চনত চৰকাৰৰ দ্বাৰা তলত দিয়া পৰিমাণৰ ৰবি শষ্যৰ বীজ ঋণ হিচাবে বিতৰণ কৰা হৈছিল আৰু তাৰ দ্বাৰা যি খিনি মাটিত খেতি কৰা হৈছিল তাকে প্রত্যক্ষভাবে চৰকাৰৰ সহায়ত খেতি কৰা বুলি কব পাৰিঃ—

| | কুইন্টল | হেক্টৰ |
|---|---|---|
| ঘেহুঁ (গাজন পৰীক্ষিত) | ৮১,০২৫·৬৫ | ৮১,০১৫ |
অসমীয়া লৰাই আহি মুখ্যমন্ত্ৰীক কৈছিল আমাক পথ দেখুৱাই দিয়ক। তেওঁ-লোকে কলৈ যাব। শেষত উপায় নাপাই শ্ৰীতুলাল বৰুৱা নাইবা শ্ৰীগৌৰী-শংকৰ ভট্টাচাৰ্য্যৰ ওচৰলৈ যাব এচেম্বলীত কব লাগে। আজি আমাৰ লৰাই কোনো ক্ষেত্ৰতে কাম কৰিব পৰা নাই। আজি আমাৰ লৰাৰ মনোভাব হৈছে টকা লৈ শিকাই মিলাই নিদিয়ে যেতিয়া চৰকাৰী টকা খাই পেলাম।

সেই কাৰণেই মুখ্য মন্ত্ৰীয়ে যিটো প্ৰশিক্ষনৰ ব্যৱস্থা আচনিৰ জৰিয়তে কৰিবলৈ বিচাৰিছে এইটো ভাল কথা। তাৰ কাৰণে যেতিয়া লৰা আগবাঢ়ি আহিব তেওঁলোকক টকা পইচা, টেকনিকেল গাইদেন্স আৰু বজাৰ দি সহায় কৰিব লাগিব। উদাহৰণ স্বৰূপে যোৰহাটত কেইজন মান ডেকাই কেইটামান সৰু সৰু উদ্যোগ কৰিলে কোনোবাই চপ্পল কৰিলে কোনোবাই মটৰৰ কেপ কৰিলে আৰু ভিবজিয়ৰ নামৰ অনুষ্ঠানটোৱে ৰং তৈয়াৰ কৰিলে আৰু প্ৰত্যেক টোৱেই কৃতকাৰ্য্য হৈছে। কিন্তু এতিয়া কথা হৈছে তাৰ কাৰণে কোনো বজাৰ নাই। আৰু চৰকাৰেও তাৰ কোনো সুবিধা কৰি দিয়া নাই। তাৰ কাৰণে কোনোৱে অৰডাৰ নিদিয়ে। মটৰৰ যি বিলাক কেপ তৈয়াৰ কৰিলে সেই বিলাক ট্ৰেন্সপৰ্ট বিভাগে পৰীক্ষা কৰি চাই সেই বিলাক ভাল হোৱা বুলি কৈছিল। কিন্তু অৰ্ডাৰ নিদিলে। তেনেকৈ যি বিলাক ৰং তৈয়াৰ কৰিছে সেই বিলাকৰ কাৰণেও চৰকাৰে কোনো বজাৰৰ ব্যৱস্থা কৰি দিয়া নাই। লগে লগে আৰু এটা কথা আমি দেখিবলৈ পাইছো যে যোৰহাটৰ ইণ্ডাষ্ট্ৰীয়েল ষ্টেটৰ শ্ৰীলেচাই বৰপাত্ৰ গোহাই নামৰ এজনে প্ৰশিক্ষন লৈ আহি ৰেডিয় তৈয়াৰ কৰিলে। কিন্তু উদ্যোগ বিভাগে তাৰ বজাৰ নাই বুলি অন্য এটা কাম কৰিবলৈ দিলে। ইয়াৰ পৰা বুজা যায় যে এই বিভাগটোত টেকনিকেল কামৰ কাৰণে ক্লিয়াৰ কনচেপচন নাই। ইয়াৰ প্ৰথম কথা হয় এই বিভাগটো যেতিয়া প্ৰথমতে আৰম্ভ কৰা হৈছিল তেতিয়া জেনেৰেল গেজুয়েট লোৱা হৈছিল। তেওঁলোকে টেকনিকেল কথা একো নাজানে। Those people have got no Technical know ledge about industries. এই নন টেকনিকেল মানুহ বিলাকক পলিটিকেল কাৰণত কাম দিছিল। আৰু তাৰ পিচত এই মানুহ বিলাকক কোনো স্পেচিয়েল প্ৰশিক্ষণ দিয়া হোৱা নাই। এনেকুৱা বিলাক প্ৰশিক্ষণৰ ব্যৱস্থা চৰকাৰে কৰা নাই। অলপতে এজন মেজিচট্ৰেট আৰু এজন ভেটেনাৰীৰ মানুহক ট্ৰেইনিং দিয়াই আনিছে। কিন্তু তেওঁলোকৰ প্ৰশিক্ষনৰ কাল ইমান কম যে সেই অভিজ্ঞতাৰ

পৰা অসমৰ প্ৰয়োজনীয় বিভিন্ন শিল্প উদ্যোগত একো কৰিব পৰা নাই। চৰকাৰে বহুতো টকা দিছে। কিন্তু সেই টকাৰ প্ৰয়োগ ব্যৱস্থা ঠিক হোৱা নাই। কাৰণ এই সৰু সৰু শিল্প বিলাকৰ ভেটি নষ্ট হৈছিল। স্বাধীনতাৰ ২৬ বছৰ কালচোৱাত এই উদ্যোগ বিলাকৰ একো উন্নতি নহল। But wheth it is pomble or not is a matter of question and we are to see whether we can build it or not. গতিকে মই কব খুজিছো সৰু সৰু উদ্যোগ স্থাপনৰ ক্ষেত্ৰত বচা বচা কিছুমান আচনি লোৱাৰ প্ৰয়োজন। এনেকুৱা কিছুমান উদ্যোগ হাতত লব লাগে যাৰ কাৰণে মেচিন আদি বাহিৰৰ পৰা আনিব লগীয়া নহয় আৰু তাৰ বজাৰৰ কাৰণে আমি বাহিৰলৈ যাব নালাগে। উদাহৰণ স্বৰূপে কোৰ কটাৰি বনোৱা শিল্প। আৰু এই শিল্প বিলাক চৰকাৰে পেট্ৰনাইজ কৰিব লাগে। যি বিলাক উদ্যোগ লং প্ৰচেচত কৰিব লগীয়া হয় সেই বিলাকৰ পৰা আমাৰ কাম নহয় আৰু সেই বিলাকত যি বিলাক প্ৰনালী সেই বিলাকে আমাৰ মানুহক বিব্ৰত কৰে। আমাৰ যি সকল ডেকা গাভৰু আছে তেওঁলোকে কষ্ট কৰিবলৈ টান পায়, সহিষ্ণুতা গুন নাই আৰু ব্যৱসায়ৰ কাৰণে পলাঈটনেচ লাগে সেইবিলাক নোহোৱাৰ নিচিনা। এতিয়া এনেকুৱা অৱস্থা হৈছে যে এই উদ্যোগ বিলাকৰ প্ৰতিস্থাৰ ক্ষেত্ৰত আৰু কেচা মাল অনাৰ ক্ষেত্ৰত অসমৰ খিলঞ্জীয়া লোক নাই। তেলিৰ মূৰত তেল দিয়াৰ দৰে হৈছে।

মি: স্পীকাৰ :— আপুনি চমু কৰক। কথা ভালেই কৈছে কিন্তু বাহিৰলৈ গৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— মুখ্য বিষয় বস্তু হৈছে কোন বিলাক উদ্যোগৰ কাৰণে কিমান টকা পইচা দিব লাগে সেইটো দিব পৰা নাই। আৰু আমাৰ স্থানীয় লৰা ছোৱালীক কেচা মালৰ যোগান ধৰিব পৰা নাই। এই ক্ষেত্ৰত বহুতো আসুৱাহ আছে। কালি কাগজত পাইছো যে এই বিভাগৰ তিনি জন বিষয়াক সময়িক ভাবে বৰ্খাষ্ট কৰিছে। এই বিলাক পুথি খলিহাহে কিন্তু ৰৌ বৰালি বিলাক এতিয়াও বাকী আছে। এই বিলাক সাৰি গৈছে। অসমৰ উদ্যোগৰ নামত অনা কেচা মাল কলিকতাৰ বজাৰত বিক্ৰী হৈ যায়। আৰু অসমৰ জৰিয়তে ত্ৰিপুৰা মনিপুৰলৈ চাবন আদি তৈয়াৰ কৰা যি বিলাক কেচা মাল আছে সেই বিলাক ইয়াতে বিক্ৰী কৰা হয়। উদ্যোগ সম্প্ৰসাৰণৰ কাৰণে যি বিলাক দায়িত্ব দিয়া হৈছিল সেই সকল বিষয়া আৰু মেনেজিং ডিৰেক্টৰ

আদি, তেওঁলোকৰ বিষয়ে কাৰ্য্যকলাপৰ বিষয়ে সমালোচনা কৰা হৈছিল। আজি উদ্যোগ সম্প্ৰসাৰণৰ কাৰণে যি বিলাক বিষয়াক দায়িত্ব দিয়া হৈছে তেওঁলোকে উদ্যোগ সম্প্ৰসাৰণ কৰক চাৰি তাৰ বিৰোধিতাহে কৰিছে আৰু আমাৰ স্থানীয় লৰা ছোৱালী বিলাকক নিৰোতসাহহে কৰিছে। আনহাতে টকা পইচা দিয়াৰ যি খন লিষ্ট সেইখনত বহুত বিলাক খেলিমেলি আছে। হয়তো যি খিনি টকা জিলা পৰ্য্যায়ত দিয়া হৈছিল সেই টকা কত কেনেকৈ ব্যৱহাৰ কৰিছে আৰু কি উদ্যোগ গঢ়ি উঠিছে আমি জানিব পৰা নাই। এই বিলাকৰ কাৰণে কোনো তদন্ত আদি কৰা হোৱা নাই। এই উদ্যোগ বিলাক আছেনে নাই কব নোৱাৰো। ফাইনানচিয়েল কৰপৰেচনে লাখ লাখ টকা খৰচ কৰিছে। য়োৰহাতত এনেকুৱা এটা চাইকেলৰ ফেক্টৰী খুলিবলৈ টকা দিয়া হৈছিল। দুখৰ বিষয় সেই চাইকেল ফেক্টৰী নোখুলি সেই টকা হজম কৰিলে। সেই মানুহজন ইহ-জগতত নাই আৰু সেই টকাও ঘুৰাই দিয়া হোৱা নাই। সেই মানুহ জনৰ পুতেকে কংগ্ৰেছত সোমাই গম গমাই ঘুৰি ফুৰিছে।

মহোদয়, এনে ধৰণেই যদি উদ্যাগৰ নামত টকা আত্মসাত্ কৰি কংগ্ৰেছ মন্ত্ৰীৰ সমানে শাৰী পাতি বহাৰ সুবিধা পায়, আৰু যদি চৰকাৰে ইয়াৰ বিহিত ব্যৱস্থা নকৰে তেন্তে উদ্যোগীকৰণ কেতিয়াও দুৰ্নীতিযুক্ত হব নোৱাৰে। গতিকে মই ভাবো এই সকলো কথা চিন্তা কৰি চালি জাৰি চাবৰ কাৰণে আৰু চৰকাৰৰ তৰফৰ পৰা যি ল'ন আদি দিয়া হয় সেইবিলাক প্ৰকৃততে কামত ব্যৱহাৰ হৈছেনে নাই আৰু যদি নাই হোৱা কি কাৰণে হোৱা নাই, আৰু যদি হৈছে কত হৈছে এই সকলো বিলাক কথা চালি জাৰি চাবৰ কাৰণে এখন ইণ্ডাষ্টিয়েল ভিজিলেন্স কমিটি ফৰ পাবলিক এণ্টাৰ প্ৰাইজৰ কাৰণে আছে। গতিকে এনে এটা কমিটি কৰি আমাৰ এই উদ্যোগ বিভাগটোৰ সকলো বিলাক দিশ চালি জাৰি চোৱাৰ কাৰণে কমিটি কৰিবলৈ মই পৰামৰ্শ আগবঢ়ালো। এইটো চৰকাৰে ভাল পালে কৰিব পাৰে আৰু বেয়া পালে নকৰিব পাৰে। কিন্তু কোনো প্লেন আদি নোহোৱাকৈ ১ হাজাৰ ২ হাজাৰ বা ১০ হাজাৰ টকা দিলে অসমত কোনো উদ্যোগ আদি নহয়। কাৰণ আমাৰ উদ্যোগ বিভাগত যিবিলাক লোক আছে সেই সকলে ইয়াত উদ্যোগ কৰিব নোৱাৰে। কাৰণ উদ্যোগ হোৱাৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো ওপৰৰ পৰা তললৈ উদ্যোগিক কৰ্ম্মকৰ্ত্তা সকলৰ মাজত দুৰ্নীতি হৈছে। গতিকে আমি এই দিষ্ট্ৰিক অফিচ

বিলাক নিকা কৰিব নোৱাৰিলে উদ্যোগ কেতিয়াও হব নোৱাৰে। আমাৰ যি-বিলাক হেড্‌চ অব দি দিপাৰ্টমেণ্ট আছে সেই বিলাকত আজি দুৰ্নীতি ভৰি পৰিছে। এই বিলাক দুৰ্নীতি মুক্ত কৰিব নোৱাৰিলে কেতিয়াও উদ্যোগ স্থাপন হব নোৱাৰে। আনহাতে টকা পইচা দিয়াৰ ক্ষেত্ৰতো চৰকাৰে কি কৰিছে? এইটো আমাৰ আগত এটা সাথৰৰ নিচিনা হৈ পৰিছে। আৰু এনে ধৰণৰ সাথৰে ৰাইজক বিভ্ৰাট কৰিছে। গতিকে উদ্যোগীকৰণৰ ক্ষেত্ৰত দুৰ্নীতি আতৰাই আমাৰ উঠি অহা যুৱক সকলক কি ধৰণে উদ্যোগত লগাব পাৰি বা তেওঁলোকে কি ধৰণে উদ্যোগত অংশ গ্ৰহন কৰিব পাৰিব এনে ধৰণৰ এটা ব্যৱস্থা কৰিব লাগে। গতিকে ক' অৰদিনেট ৰ প্লেনৰ যোগেদি উদ্যোগীকৰণৰ ব্যৱস্থা হাতত লবলৈ মই পৰামৰ্শ আগবঢ়াই এই বিলখনৰ বিৰোধিতা কৰিলো।

শ্ৰীকবিৰ ৰায় প্ৰধানী: মাননীয় অধ্যক্ষ মহোদয়, এই বিলৰ শিতানত যি টকা মন্ত্ৰী মহোদয়ে বিচাৰিছে, আমি কওঁ সেইটো শুদ্ধ নহয়। মন্ত্ৰী মহোদয়ে যে শুদ্ধ নহয় এইটো কথা সচা। মন্ত্ৰী মহোদয় ইনকাৰেক্ট আৰু আমিও ইন-কাৰেক্ট। এই বিলাকৰ কোনো প্লেন প্ৰগেম আছেনে নাই? আজি দেখা গৈছে যে কোনোবাই এখন চাহৰ দোকান খুলিবৰ কাৰণে হয়তো ৭ হাজাৰ টকা লৈছে আৰু দোকানো দি ২।৩ দিনৰ পাছত সেই দোকান বন্ধ কৰা হৈছে। ইয়াৰ প্ৰধান উদ্দেশ্য হল, টকাটো লোৱা। যদি এই উদ্যোগৰ ক্ষেত্ৰত আমাক টাইপ প্লেন দিলেহেতেন তেতিয়া আমি শুদ্ধ বুলি কলোহেতেন। আৰু আজি এমেন্দমেণ্ট নিদি বিল পাচ কৰি দিলোহেতেন। আজি ১০ হাজাৰ, ২০ হাজাৰ টকা বিচাৰি মানুহে উদ্যোগ কৰিব বুলি টকা বিচাৰিছে ইয়াৰ মূল উদ্দেশ্য উদ্যোগ কৰা নহয় টকা চৰকাৰৰ পৰা কেনেকৈ লব পাৰি সেই কথাহে চিন্তা কৰি। কোনোবাই হয়তো ছোৱালীৰ বিয়াৰ কাৰণে টকা বিচাৰি নাপাই উদ্যোগ কৰিম বুলি চৰকাৰৰ পৰা টকা ধাৰলৈ লৈছে। কোনোবাই হয়তো ইটাৰ ভাটা খোলাৰ কথা কৈ টকা ধাৰে লৈছে। আৰু ৬।৭ টা লেবাৰ বহাই ৰাখি টকা অন্য কামত খৰচ কৰিছে। সকলো ক্ষেত্ৰতে আজি দেখা গৈছে যে, আনফেয়াৰ মিনচ লোৱা হৈছে। এই-বিলাকৰ ফলতে ফেবৰটিজিম, নেফটিজিম আদি হৈছে। গতিকে মই আশা কৰিছো যে, টকা দিলেই উদ্যোগ নহয় যেতিয়া চৰকাৰে ৰ'মেটিৰিয়েল, ইমপ্লিমেন-টেচন আদি কথা ঠিক কৰি এখন বুকলেট চপা কৰিব লাগে। এইবিলাক কৰিলে টকা উদ্যোগত খৰছ হব এইখিনিকে কৈ মই মন্ত্ৰী মহোদয়ৰ মনত দৃঢ়তা আনিবলৈ অনুৰোধ কৰি মই কব লগা খিনি শেষ কৰিলো।

শ্ৰীমহমদ ইদ্ৰিছ ( মন্ত্ৰী )ঃ মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগীকৰণৰ সমস্যাৱলীৰ সম্পৰ্কে সকলো দলৰ পৰা সৰ্ব্বশ্ৰী বৰা, বৰুৱা, আৰু প্ৰধানী ডাঙৰীয়াই যিখিনি পৰামৰ্শ ডাঙি ধৰিলে সেইখিনি বৰ সন্তোষজনক পৰামৰ্শ আৰু ইয়াক কাৰ্য্যকৰী কৰণৰ বাবে যিবোৰ উন্নতিমূলক কথা শ্ৰীবৰুৱা ডাঙৰীয়াই কলে সেইবিলাকৰ প্ৰতি চৰকাৰে বিশেষ লক্ষ্য কৰিছে। কিন্তু এইটো কথাও ঠিক যে এইবিলাক ক্ষেত্ৰত আজি প্ৰশাসনী বিভাগ বিলাকেও যে বাধা দিয়া নাই সেইটো কথা মই নকওঁ। কিন্তু এইবিলাক সমলী নাইকীয়া কৰিবৰ কাৰণে আজি সমহীয়া প্ৰচেষ্টাৰ আৱশ্যক হৈছে। সেইকাৰণে মই ভাল পাইছো যে আমাৰ শ্ৰীবৰুৱা ডাঙৰীয়াই আমাৰ ৰাজ্যখনক উদ্যোগীকৰণ কৰাত কি কি কৰিব লাগিব সেই সম্পৰ্কীয় আলোচনা কৰাৰ কথা চিন্তা কৰিছে আৰু কিছু কথা ষ্টাডি কৰি সদনত ডাঙি ধৰিছে। সেই কাৰণে মই আশা ৰাখিছো আমাৰ প্ৰশাসনীয় বিভাগবোৰৰ গুৰিৰ পৰাই গেটেই দূৰ্নীতিৰ বিবৰণী দিছে এইটো আমাৰ চৰকাৰৰ ত্ৰুটি-বিচ্যুতি বুলিয়েই ধৰি লৈছো।

অধ্যক্ষ মহোদয়, এইখন ১৯৫০ চনৰেই আইন। এই আইনমতে আজি অসমৰ উদ্যোগিক সকলক কিছু সহায় দি আগবঢ়াই অনাটোৱেই ইয়াৰ উদ্দেশ্য। উদ্যোগ প্ৰতিষ্ঠা কৰাৰ কাৰণে এই আইন খন আমাৰ ৰাজ্যত ইমান দিনে চলি আছে আৰু তাৰ দ্বাৰাই আজি আমাৰ ৰাজ্যখনত কিছুমান কামত অগ্ৰগতি হৈছে। এই সংশোধনী খনত এইখিনি কথা কোৱা হৈছে যে উদ্যোগিক সকলক ঋণ দিয়াৰ আৱশ্যকতা বেছি — এইকথা আমি বাৰম্বাৰ কৈ আছো আৰু মাননীয় কদস্য সকলৰ লগত ইয়াত মোৰ কোনো দ্বিমত নাই। আজি আমাৰ ৰাজ্যত যিমান উদ্যোগ প্ৰতিষ্ঠা কৰিবৰ বাবে ঋণ পাবলৈ বিচাৰিছে আৰু সেই সকলক প্ৰত্যেককে নতুনকৈ প্ৰতিষ্ঠা কৰিবৰ কাৰণে সেই সকলৰ সংখ্যা অনুসৰি ৫ হাজাৰ বা ২০ হাজাৰ টকা দিবলৈ আমাৰ বাজেটত সিমান সামৰ্থ্য নাই। সেই কাৰণে মই বাৰাম্বাৰ পৰিস্কাৰকৈ কৈছো যে এই বিলখন সংশোধন কৰাৰ মূল উদ্দেশ্য হল আমাৰ বৰা ডাঙৰীয়াই কোৱাৰ দৰে কলৰ পৰা বেবী ফুড, কাঠৰ পৰা প্লাইউড ফেক্টৰী আদি ক্ষুদ্ৰ উদ্যোগ যাতে সৃষ্টি কৰিব পাৰে। সেই উদ্দেশ্যে প্ৰত্যেক জিলাতেই চাৰ্ভে কৰিবলৈ দিয়া হৈছে যে ক'ত কি কি উদ্যোগ সম্ভৱ হব পাৰে সেই সকলো খবৰ আমাৰ হাতত পৰিলেহে আমি

বিবেচনা কৰি চাব পাৰো। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে এনে ধৰণৰ চাৰ্ভে কেন্দ্ৰীয় চৰকাৰেও কৰিছে আৰু অসম চৰকাৰেও প্ৰত্যেক জিলাত কৰিবলৈ আৰম্ভ কৰিছে। এই কথা আপোনালোকে জানে যে যদি কোনোবাই ঋণ বিচাৰি আমাৰ ওচৰলৈ আহিছে — আমি সেইটো লক্ষ্য কৰি আছো। আজি মোৰ এটা পৰিস্কাৰ ধাৰণা হৈছে যে এই উদ্যোগিকসকলে পোনে পোনে গৈ কয়— মই অমোকটো উদ্যোগ প্ৰতিষ্ঠা কৰিব বিচাৰিছো। শ্ৰীবৰুৱা ডাঙৰিয়াই কৈছে উদ্যোগিকজন ব্যক্ত কৰাৰ লগে লগে আমাৰ বিভাগে যাবতীয় পৰমৰ্শ দিব পাৰে। কিন্তু এইটো কথা ইমান সোনকালে একেদিনাই হব নোৱাৰে। তাত কনচালটেনচী, ফাইনেন্স, ৰ-মেটেৰিয়েলচ্ আদি কথা জড়িত আছে। আৰম্ভ কৰিবৰ কাৰণে তাত সকলোবিলাক থাকিব লাগিব। আজি আমি কেনে ধৰণে অফিচিয়েল কনচালটেনচি চাৰ্ভিচ, নন্ অফিচিয়েল কনচালটেনচি চাৰ্ভিচ আদি কৰিব পাৰে — সেই বিষয়ে বিবেচনা কৰিব লগা কাম থাকে। আমাৰ দেশত কনচালটেনচি চাৰ্ভিচ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে প্ৰস্তাৱ কৰিছে যদিও তেওঁলোকে বেছি কাম হাতত লোৱা নাই। আমি আশা ৰাখিছো উদ্যোগৰ ক্ষেত্ৰত তেখেত সকলক কিছু কনচালটেনচি চাৰ্ভিচ দিব পাৰিম ঃ সেই বিলাকৰ ভিতৰত বেছি ভাগ মজলীয়া ইণ্ডাষ্ট্ৰী থাকিব আৰু স্মল স্কেল ইণ্ডাষ্ট্ৰীৰ কাৰণে মই শ্ৰীবৰুৱা ডাঙৰীয়াৰ লগত একমত।

আমাৰ অসম ৰাজ্যত যিখিনি কেচামাল আছে তাৰ ওপৰত ভিত্তি কৰি উদ্যোগ প্ৰতিষ্ঠা কৰিলেহে আমি সকলো ফালৰ পৰা লাভৱান হব পাৰিম। কিন্তু তাক কৰিবলৈ যাওঁতে আমি যি বিলাক অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছো। সেইটো সকলোৱে বুজিছে। বিশেষকৈ বেচা-কিনাৰ কাৰণে ভাল বজাৰৰ সুবিধা নাই।

অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় লক্ষ্য কৰিছে — আমাৰ ৰাজ্যত যি বিলাক বস্তু আছে, তাৰ ভিতৰত খোৱা বস্তুৰ বাহিৰে বহুবিলাক বস্তু বাহিৰৰ পৰা আহে। তাৰ বাহিৰে যি বিলাক শিল্পজাত বস্তু বুলি কব পাৰি সেই বিলাকৰো বেছিভাগ বাহিৰৰ ইণ্ডাষ্ট্ৰিৰ দ্ধাৰা হে আহে। আজি যি কোনো বস্তু অসমত তৈয়াৰ হলে আৰু সেইবিলাক বেচা কিনা কৰিবৰ বাবে উন্নত বজাৰ এখনৰ সচাকৈয়ে আৱশ্যক আছে। কিন্তু আজি আমাৰ নিজৰ ঠাইত উৎপাদিত বস্তু

যেনে কুটিৰ শিল্প, ক্ষুদ্ৰ শিল্পত যি বিলাক বস্তু উৎপাদিত হয় সেই বিলাক বেচা কিনা কৰাৰ কাৰণে আমাৰ নিজৰ এটা পেট্ৰিয়টিক ভাব থাকিব লাগিব। আজি আমাৰ ৰাজ্যৰ উদ্যেগ বিলাকত উৎপাদিত হোৱা বস্তু বিলাক সচাকৈ আজি বাহিৰৰ উদ্যোগ বিলাকৰ লগত প্ৰতিযোগীতা চলাব পৰা নাই। সেই কাৰণে আমি পেট্ৰিয়টিক ভাবেৰে আমাৰ বস্তু বিলাক বেচা কিনা কৰাত বেচি গুৰুত্ব দিব লাগিব।

অধ্যক্ষ মহোদয়, বৰুৱা ডাঙৰীয়াই আৰু এটা কথা কৈছে যে আঁচনিৰ বাবে কেইটামান বিষয়ত পৰীক্ষা দিব লগীয়া হৈছে। তেখেতক কলে যিহেতুকে বিভিন্ন ক্ষেত্ৰত আচনি লৈছে কিন্তু এইটো কথা ঠিক যে পৰীক্ষা নললে কোনো কাম হব নোৱাৰে।

মই আশা ৰাখিছো আমাৰ বিলখন যদিও উদ্যোগকৰণৰ বিষয়ে অনা হৈছে এই আলোচনাত আৰু অধিক আলোচনাৰ আৱশ্যক নাই বুলি মই ভাবো।

এই সংশোধনীৰ মাধ্যমেৰে যাতে আমাৰ প্ৰকৃত উদ্যোগী সকল উপকৃত হব পাৰে সেই উদ্দেশ্য আগত ৰাখিয়েই আমাৰ এই সংশোধনীটো অনা হৈছে। এটা কথা আমাৰ মাননীয় সদস্য সকলে বৰ গুৰুত্ব সহকাৰে কৈছে যে, এই পইচাবিলাক বিতৰণ কৰাৰ ক্ষেত্ৰত আমি ভালদৰে পৰীক্ষা নীৰিক্ষা কৰি লব লাগে। এইটো সচাকৈয়ে অতি আৱশ্যকীয় কথা এটাই কৈছে। এই বিলাক কথা পুংখানুপুংখ ভাৱে বোধহয় আগতে উদ্যোগ ঋণ দিয়াৰ সময়ত চিন্তা কৰা নহৈছিল। সেই কাৰণেই অনাদায়ী ঋণ বোধহয় আজি প্ৰায় এক-কোটিৰ ওচৰ পাইছেগৈ। এইখিনি টকা আদায় কৰাৰ কাৰণে যত্ন কৰা হৈছে। গতিকে এই ᐃাৰ এই উদ্যোগ ঋণ দিয়াৰ ক্ষেত্ৰত আমি যিহেতু জিলা আৰু মহকুমা পৰ্য্যায়ত দিব খুজিছোঁ সেই কাৰণে সেই সেই পৰ্য্যায়ত প্ৰয়োজনীয় বোলৰ মাধ্যমেৰে এড্‌ভাইজৰি কমিটি কৰি দিয়া হব আৰু সেই কমিটিয়ে উদ্যোগী সকলে প্ৰস্তুত কৰা আচঁনি সমূহৰ ফিজিবিলিটি সম্পৰ্কে ভালকৈ পৰীক্ষা-নীৰিক্ষা কৰিব যাতে সেই ঋণ বিলাকৰ ভাল ব্যৱহাৰ কৰিব পাৰে। বিকেন্দ্ৰীকৰণৰ এইটোও এটা উদ্দেশ্য।

মাননীয় অধ্যক্ষ :— সেইটো কব নেলাগে।

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) :— এই বিষয় বিলাক উদ্যোগ ঋণ দিয়াৰ ক্ষেত্ৰত

যাতে এড্‌ভাইজৰি কমিটিয়ে ভালকৈ পৰীক্ষা নীৰিক্ষা আদি কৰিব পাৰে আৰু তাৰ দ্বাৰা যাতে ঋণ দিয়াৰ প্ৰকৃত উদ্দেশ্যটো সফলকাম হব পাৰে সেইটোৰ কাৰণেই এই সংশোধনীটো অনা হৈছে আৰু আশা কৰো সেইটো যাতে সাৰ্থক কৰে তাকে মই কামনা কৰিলোঁ।

Mr. Speaker— The motion is that the Assam aid to Industries (Small and cottage Industries) (Amendment) Bill, 1973 be paseed. (after a pause)

The motion is adopted and the Bill is passed.

Item No.13.

Shri Sarat Chandra Sinha, Chief Minister- Sir, I beg to move that the Assam State Legislature Members (Removal of Disqualifications) (Amendment) Bill, 1973 be taken into consideration.

Mr.Speaker- The motion is moved.

Shri Dulal Chandra Barua- Mr.Speaker, Sir, I am opposing the Bill. I am opposing it on principle. The Bill, as per explanatory note seeks to fall in line with the Government of India in respect of removal of disqualifications of members to be electcd to the State Legislature as well as to Parliament. (At this stage Mr.Speaker vacated the Chair and Mr.Deputy Speaker occupled it). Sir If the Chief Minister very carefully scrutinises the bill he will see that the bill will create chaos and it will help nobody, neither the members concerned nor the Government nor the public in general and I feel. It will give ample scope for indulging in corruption at every level, in all stages of administration and in the organisations sponsored by Government. Sir, the Chief Minister is very much keen to

remove corruption, and whatever help is possible for us in our own humble way we are ready to render it. But this amendment will go against the basic principle on which he is advancing or he has wanted to take action against the corrupt officials of the State administration and also in semi-Government orgnisation. Sir, to-day we are heie; to-morow we may not be here. To-day Shri Sarat Chandra Sinha is here; he may take certain steps to ameliorate the condition of the down trodden masses or he may try to remove corruption. But after 5 years or even after 1 year he may not be here. There may be some one else, who may, for his political parties, as has been done in other parts in India, fit some people in various organisations or Board as Directors and like this. They may misuse their political power. I feel Sir, this amendment will lead to more political corruption in the Government as well as in the society as we have seen in various fields. What happend to-day if a man wants to take some benefit from the Government? He simply enrol his name as an active member of the Congress, the Congress which was started by Mahatma Gandhi. Nobody can say against the purity of his principle. But what we see to-day? In the present circumstances due to induigence of political corruption that purity of Congress principle which was once for the betterment of the people has gone to air and some people, if I say it will be unparliamentary, the swindlers, the black-marketeers, hoarders and even the convicted persons in criminal cases have become the active members of Congress and they have been fitted in various organisations. I tell the Chief Minister that there may be 5 or 10 Congress

members in a particular district and they may be pure. But the whole thing is that this Bill will give ample scope to the political elements to indulge in corruption in all walks of life. Why ? What about the Co-operative movement ? I raised a question in last Assembly Session that even a prominent Congress member is alleged to have misappropriated 52,000 public money in a particular Co-operative and the Minister-in-charge of Co-operation promised, he assured the House that ( Sir, they are becoming unmindful. ) proper action will be taken against the man whoever he or she may be, whether he is Congress or Communist, or P.D.P. or anybody else. Could he do anything against him till to-day ? It is alleged by the particuler co-operative of Dibrugarh, through a resolution forwarded to Government that the menber has misappropriated Rs.52,000/-. But no action was taken against him from the Government side. Why this should happen? Because, he is a member of the House, because, he is a member of congress. I do not know how long these things will continue and whether there will be any end of it ? The whole crux of the problem is there. Shri Sarat Chandra Sinha, Chief Minister may not use his power or misuse his power, but there may be a seoond man in his cabinet who may use or misuse his power for his own end. People in the helm of affairs apply and use their power not for the betterment of the people but he uses it for the betterment of his own selfish end.

Therefore many misappropriation cases has taken place in coopratives in various places. And almost all the people are allegedly members of Jorhat, Sibsagar, Golaghat, Everywhere it is found that Misappropriation and mismanage-

ment is taking place in this organisation. Sir, many of the alleged members are from the political ruling party. Therefore, of course, it will be very much advantageous for the people in the party in power which is also having a big majority here in the house and the parliament too. They enjoy the political fruit at the cost of public. There should be more restrictions against this disqualification in the matter of members in this august house and in the parliament; otherwise these types of bad politics throughout the state will affect the entire social structure of the state. Sir we will get no scope to discuss against the people who used to take part in these organisations. This time a circular has been issued by the Govt. Supply Department. First and foremost thing is that what they have shown, they have done in respect of Planning Cell, all the members recruited are from the party in power. You will be surprised to hear that all the unwanted and antisocial elements have been included in the Planning Cell for the political interest without considering that this is going to deal with the human problems, Hon'ble Chief Minister wants to solve the human problems by leaving the entire human beings at the hands of certain criminals, So you imagine, Sir, that this will only halp the people in the party in power. If these things happens, I think, I have got nothing to say. As a representative of the people, without considering any sorts of political idelogy almost speaking for human beings with whom we are to deal in future, administratively, socially and economically, that aspect is never looked by the Govt. and the party in power.

Now, Sir same thing happened in some places, of course not in all the places, as it has been made that all the convenors

of the planning cell will be from the Congress members. I have got no grudge to work with my brother Mr. Bijay Handique, but I find the convenor becomes the Chairman of a Committee. The instruction of the Govt. was first to nominate someone else to preside over that on the first of November. Then we have selected one of our colleagus; Sir, I do not bother about Chairmanship and all these things to work. The work which has been entrusted to me in any capacity, I used to discharge the duties as far as practicable. Sir, fortunately our Hon'ble Chief Minister had given a D. 0. letter while we had been there. We selected our colleague to preside over the meeting but suddenly a signal came that Deputy Commissioner should preside over the function, Deputy Commissioner is in the rank of Secretary and we are elected members. Govt. has got no business to give such order. M.L.A's, position is more than Chief Secretary in some respect. The elected members' prestige has been lowered down as because there was nobody except some members of the opposition and that is why instructions came that Deputy Commissioner is to preside over the function. The Deputy Commissioner could be made president at the cost of the prestige of the elected members. That sense of prestige is also not with the govt. Here also while officers are entering I used to see, in what way they are entering. There are some responsible officers also but at the time of entering, they do not know where they are entering. There are some people who come here without knowing where they are entering, even some senior-most officers also do not know about the honour of the President. That is to be followed here, in the State and in the country as a whole. There are order of precedent that a Deputy

Commissioner can never be a Chairman, leaving the elected members. And what makes our Govt. that all the Chairman of the various Committees and of the Convenor of the Planning Cell should be the Congress members ? It may be that there is minority, but the question of minority and majority should not be in the house, We are to work in the field altogether, to run the work somoothly.

Mr. Speaker :— Mr. Barua, now it is 4·' O clock. We will now take up the half an hour discussion.

## HALF AN HOUR DISCUSSION

Shri Bishwanath Upadhyaya :— Mr. Speaker, Sir, I want to raise this issue under Rule 49 of the Rules of Procedure and Conduct of Business is the Assam Legislative Assembly on a matter arising out of an answer to the Starred Question No. 20 asked by Shri Jagannath Singhon 22nd November, 1973. Unforunately, I was not present in the House then. I have gone through the proceedings of the day. I find that the Horn'ble Minister is of the view that there has been no discrimination so far as allotment of standard cloth to tea garden areas is concerned. Sir, he holds the view that standard cloth is sold to all sections of the population through Co-operative stores. He further said that it was sold to all persons and hence there would be no difficulty. Sir, the Horn'ble Minister has categorically denied that there is any discrimination, but I have got documentary evidence

that there is discrimination. The Horn'ble Minister stated that the Govt. has advised for organisation of co-operative in the tea garden areas, and when formed these will be tagged wholesale Co-operative in the village areas. Sir, I have got documentary proof that there are already Co-operatives in tea garden areas. Sir, there is a centrally sponsored scheme. Under this scheme I submitted one scheme to the Govt. of Assam in 1964. That scheme was discussed in the Labour Standing Committee meetings. That was opposed by the managment because they did not want growth of co-operatives in tea garden areas. Sir, the Govt. is trying for formation of Co-operatives. There are already two co-operatives organised by tea garden workers in the Karimganj Subdivision namely Durlavcherra Tea Garden Consumers Co-operative and the Bidyanagar Tea garden Consumers' Co-operative. Sir, you know the Bidyanagar tea garden is managed by the Government; but in the matter of allotment of controlled cloth these co operatives have been denied. I have received a telegram from the Secretary of the Durlavcherra Tea Garden Consumers' Co-operative Society which reads "Supply Board Karimganj refused allotment of cloth and other commodities to Durlavcherra garden consumers co-operative Society Great resentment in labour force." The President of Bidyanagar Bagan Panchayat has also written me a letter. The contents are "Please refer to my talk I had with you during your recent visit to our garden regarding supply of controlled cloths to the labourers of this garden. As I told you co-operative Societies getting allotment of controlled cloths are confining their

sales to village people only and particularly to their members. As advised by you we approached the Supply Office more than once and requested to allot controlled cloths to the Bidyanagar Tea Garden Consumers' Co-operative, but it is a matter of great regret that no allotment has been made to it as yet. On the one hand Govt. is encouraging co-operatives in village areas and on the other it has nothing to do with the co-operatives already organised by the tea garden workers particularly the retrenched workers. I understand that a meeting of the Supply Board is going to be held in the near future, and, I, threrfore, repuest you to kindly see that allotment of controlled cloth is made to our society also. Further I am to say that the fairprice shop dealer for the line No. 3 and the Chinatigool T. E. have been suspended and the supply is made through the dealer appointed for the main garden. I understand that a new dealer is going to be appointed in the place of the old one. I, therefore, request you to see that our Consumers' Co-operative is appointed as Fair price shop dealer instead of any individual."

Thus it will appear that there are two co-operatives in Karimganj Subdivision organised by the tea garden workers, but when these co-operatives approached the Supply Department for allotment of controlled cloth they have been refused. The Minister stated they can get these things from anywhere. Sir, I raised this point in the Supply Board meeting which was held on the 16th of this month, and I made a request for allotment of these commodities to these co-operatives but the Chairman refused to do so . He stated that the management is

responsible for the supply of goods to the workers. Sir, the management is responsible for the supply of goods only to the workers and not to the non-workers. The Chairman refused when I insisted for voting. The Chairman lost his temper and said that he had got discretionary powers. (Some voice: who was the Chairman ?). Shri Suranjan Nandi was the Chairman. This is the position, but the Hon'ble Minister has categorically denied that there is any discrimination.

Now, I will come to the question of wholesale co-operatives. According to the centrally sponsored scheme the management is required to participate in the share capital of the workes co-operatives. The Minister has stated that the question of economic viability is there. The Government should persuade the management to participate in the share capital of the workers co-operatives; but I find that the Minister's view is that there is no need to organise wholesale co-operatives as according to him the primaries will do and they will be tagged to the wholesale co-operatives in the village areas. Sir, this is the position. Therefore, I have raised this matter, and I would request the Hon'be Minister to see that atleast these twn co-operatives are allotted controlled cloth, and also to see that in the matter of appointment of fairprice shop dealers they get preference.

Shri Jagannath Sinha — Hon'ble Speaker, Sir. The other day when I raised the question of supply of standard cloth to tea garden areas I also put a question whether there was discrimination between the population living in tea garden areas and in villages and the hon'ble Minister replied ,No'. But as per statement of Shri Upadh-

yaya there is a clear case of discrimination because standard cloth has not been supplied to Bidyanagar and Dullavchara tea gardens. My second point, Sir, is that I really fail to understand how the Chairman of F.T.S.C. can apply veto power. Well, Sir, with such Chairman if we want to run the food policy of the Govt. our bad days are ahead. Therefore, Sir, I would suggest to hon'ble Minister, Supply to call such wooden headed Chairman here and get his brain washed. Number three, the Govt. of Assam have very kindly taken a policy of setting up co-operative societies in the gaon panchayat areas. You know, Sir, the Panchayat Act is not extended to tea garden areas. The ground very often put forward is that the people who reside in tea garden areas, they are looked after by the management, they are looked after under Plantation Labour Act and rules thereto. The people living in tea garden areas — who are looked after by the management are the workers and their dependants below the age of 12 years and my friend Honble Supply Minister being a labour representative knows better than me. Now it has been stated that since their interest is looked after by the management if this Act is extended in the tea gardens there will be duplication. May I know in a tea garden where 300 workers are residing with 3000 nonwarkers, how the interest of these nonworkers will be looked after. Will they remain as second class citizens of Assam. Are they not in a worse position than the Indians living in Uganda ? Here we have franchise right, here we have the Assembly and we go and say to them 'vote for us, you have got the

franchise right,' but when the question of their democratic right comes in, when the question of self-govt. come in through co-operatives, through panchayats, then we say you are second class citizens and this cannot be extended. I cannot understand this, Sir. And if it goes on like this they are not going to toberate. They will seek redress elsewhere and that will be a very bad day for Assam. Who look after them ? The Govt. of Assam have encouraged formation of co-operatives in the gaon panchayat areas but in the tea garden areas those persons who are non-workers, the management do not look after them, the Government do not look after them.

Shri Dulal Chandra Barua :— It is your Government.

Shri Jagannath Sinha :— And your too Sir. Shall we not be condemned by these people, including me and Mr. Barua. So, Sir, this is the position. Therefore, hon'ble Upadhyaya and I, we want to raise this discussion and want to know categorically from the hon'ble Minister whether there is a case of discrimination.

শ্রীগজেন তাঁতী (মন্ত্ৰী)ঃ— মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন হৈছে যে ষ্টেণ্ডাৰ্ড ক্লথ বা অন্যান্য যাবতীয় বস্তু কৰপোৰেচনৰ জৰিয়তে বিতৰণ কৰোতে চাহ বাগানৰ শ্ৰমিক সকলৰ ক্ষেত্ৰত ইন্‌ডিচ্‌ক্ৰিমিনেচন কৰা হৈছে নে নাই এইটো মই সিদিনা প্ৰশ্নৰ উত্তৰত কৈছিলো কৰা হোৱা নাই বুলি আৰু আজিও সেই একেটা কথাকেই কওঁ যে চৰকাৰে কোনো চাহবাগানৰে শ্ৰমিকৰ ক্ষেত্ৰত ইন্‌ডিচ্‌-ক্ৰিমিনেচন কৰা নাই। কেনেকৈ কৰা নাইঃ কাছাৰৰ বিদ্যাসাগৰ আৰু তুৰ্লভচেৰা তুইখন বাগিচাত কৰপোৰেচনৰ দোকান আছে। সেই তুখনেই ষ্টেণ্ডাৰ্ড ক্লথ লাগে বুলি এফ-টি-এচ মিটিঙত আলোচনা হৈছিল। মই এচ-ডি-অ'ৰ পৰা যিটো খবৰ পাইছো তাত কৈছে যে সিদিনা যিহেতুকে সেই দোকান কেইখনৰ পৰা

কোনো দৰ্খাস্ত অহা নাই তেতিয়া বিষয়টো আলোচনা কৰিব নোৱাৰি। পিচত এই বিষয়টো আলোচনা কৰিব লাগিব।

Shri Biswanath Upadhyay :— No Sir, that is not a facf.

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) : — মই এচ-ডি-অ'ৰ পৰা যিটো পাইছো সেইটোহে কৈছিলো। উপাধ্যায় ডাঙৰীয়াই বিষয়টো ভোটত দিবলৈ কৈছিল কিন্তু তাৰ চেয়াৰম্যান নন্দী ডাঙৰীয়াই ভোট হবলৈ নিদিলে অধ্যক্ষ মহোদয়, এফ-টি-এচ কমিটিৰ লগত কি দিফাৰেন্স হৈছে সেইটো বাদ দিলে এই কৰপোৰেচনৰ দোকান দুখনক ষ্টেণ্ডাৰ্ড ক্লথ দিব পাৰি নে নোৱাৰি সেইটো সিদিনা উত্তৰত কৈছিলো যে চাহবাগিচাই হওক বা বাহিৰত থকাই হওক কৰপোৰেচন হলে ষ্টেণ্ডাৰ্ড ক্লথ পাব পাৰে। এফ-টি-এচে নিদিলেও সহকাৰী পঞ্জিয়কৰ (এচিচ্‌টেণ্ট ৰেজিষ্ট্ৰাৰ) যোগেদি দৰ্খাস্ত কৰিলেও পোৱাৰ ব্যৱস্থা আছে। এতিয়া যিটো হৈছে সেইটো চৰকাৰী নীতিৰ কাৰণে নিনিয়া নহয়। যিটো এফ টি-এচ কমিটি আছে তেওঁলোকৰ ভুল বুজাবুজিৰ কাৰণেই হওক বা আন খেলিমেলিৰ কাৰণতহে হওক মানবিশিষ্ট কাপোৰ (ষ্টেণ্ডাৰ্ড ক্লথ) তেওঁলোকে পোৱা নাই। মই বিহিত ব্যৱস্থা লৈছো আৰু এই দুখন কোঅপাৰেটিভ দোকানে মানবিশিষ্ট কাপোৰ পোৱাৰ ব্যৱস্থা কৰি দিম। সিদিনা আৰু এটা প্ৰশ্ন হৈছিল যে যি-হেতুকে চাহবাগানত পঞ্চায়তৰ সম্বন্ধ নাই তাৰ কাৰণে পাইকাৰী ব্যৱসায় (হ'লচেল) খোলাৰ কাৰণে কিয় চৰকাৰে অনুমতি দিয়া নাই? মই সিদিনাৰ প্ৰশ্নৰ উত্তৰত কৈছিলো যে এই বিষয়ত কি আছে অনুসন্ধান কৰি চাম। এতিয়া অনুসন্ধান কৰি পাইছো তেখেতসকলৰ যিহেতুকে সকলো বিলাক চাহ বাগানতে ৰিটেইল চপ (খুচুৰা দোকান) নাই, মাত্ৰ কেইখনমান আছে সেইবিলাক নতুন কেইখনৰ লগত যোগ কৰি দিয়া হৈছে। অনুসন্ধান কৰি পোৱা হৈছে তেখেতসকলে চাহবাগানৰ কাৰণে এখন স্থীকিয়া পাইকাৰী ব্যৱসায় (হ'লচেল) ৰ কাৰণে চৰকাৰৰ পৰা অনুমতি বিচাৰিছে কিন্তু সেইটো দিব পৰা নাই কিছুমান অসুবিধাৰ কাৰণে। সিদিনা কৈছিলো যে পাইকাৰী ব্যৱসায়ৰ অনুমতি দিয়াৰ ক্ষেত্ৰত অৰ্থনৈতিক দিশত বহুত কথা চাব লাগিব। ইতিমধ্যে আপোনালোকে জানে যে অসমৰ চাহবাগিচাত কাম কৰা সকলে এটেইকল' কৰপোৰেচন খুলিছে দুই কোটি টকা মূলধনেৰে। এটেইকলে' গোলাঘাটৰ ওচৰত এখন 'উষা' নামৰ ডাঙৰ বাগিচা কিনিছে বোধকৰো ভাৰতবৰ্ষৰ ভিতৰত চাহ শিল্পৰ বনুৱা

নকলে মালিকী স্বত্ব অধিকাৰৰ কাৰণে কৰা এইটোৱেই আটাইতকৈ ডাঙৰ গোট আৰু ইয়েই প্ৰথম। 'এটেইকলে' কৰা বাই-লত কাছাৰকো অন্তৰ্ভূক্ত কৰিছে যেতিয়া সেই উপবিধিখন ( বাই-ল'( সংশোধন নকৰা লৈকে অমি কাছাৰৰ বাগিচা এখনেকো দিব নোৱাৰো।

অধ্যক্ষঃ— আপুনি কাছাৰৰ বাগিচাৰ কথা কৈছে ?

শ্ৰীঅতুল শইকীয়াঃ— জেটি কলৰ ৰেজিষ্ট্ৰেচন দিয়া হলনেকি ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী)ঃ— জেটি কলৰ ৰেজিষ্ট্ৰেচন দিয়া হৈছে। তেওঁলোকে প্ৰত্যেকটো চাহবাগানতে এটা ৰিটেইলচপ খুলিবৰ কাৰণে চেষ্টা কৰিছে। দ্বিতীয় কথা হল চাহবাগানৰ শ্ৰমিকসকলৰ মাজত কিছুমান অসুবিধা আছে। সেইটো আসাম টি প্লেনটেচন প্ৰভিডেণ্টফাণ্ড এক্টত কোৱা আছে যে সমবায় সমিতিৰ চেয়াৰ হল্ডাৰ বিলাকে নন্-ৰিফাণ্ডেব'ল এড্ভান্স লব পাৰে। ইতিমধ্যে আমি দেখিছো বহুতো শ্ৰমিকে সমবায় খোলে ঃ কিন্তু সেইবিলাক সম্পূৰ্ণৰূপে মৰা পৰে। গতিকে এতিয়া তেনে ধৰণে যাতে মৰা নপৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। কাছাৰ জিলাত যিটো হ'ল-চেলাৰ পাতিব বিচাৰিছে তাৰ পাৰ্মিচন দিয়া হোৱা নাই।

Shri Jagannath Sinha :— Sir, I want few clarifications; It is not a fact that A.T. Col is the first concern of the tea garden workers who has purchased tea garden. Before that also, the workers of the Chencoone Tea Estate formed Cachar Tea Farming and Industrial Cooperative Limited, and purchased the said garden. Sir, as regards the supply of standard cloth and other things to the tea gardens, the hon'ble Minister said that he will take steps to supply cloths to the Cooperatives at Vidyanagar and Durlavcherra Tea Estate. Sir, in the district of Cachar, there are as many as 212 tea gardens. Now, what will happen to those 212 tea gardens ? Will the people be true appendix to the Gaon Panchayats and will they function just like appendix. How

they will be served ? If they have to remain as appendix, whether this will amount to discrimination or not ?

Shri Bishwanath Upadhyay :— Sir, the area of operation of this Co-operative is for the whole district of Cachar. Supposing, this Cooperative starts whole-sale business, can aneybody check it ? My friend, Shri Sinha said that there is one Co-operative, namely, Cachar Tea Farming Co-operative Limited ; the area of operation of that Co-operative is the whole district of Cachar. Supposing they start whole sale business in Cachar, can the Government check it ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী ঃ— মই কথাটো বুজিব পৰা নাই ।

মাননীয় অধ্যক্ষ ঃ— উপাধ্যায় চাহাব, আপুনি বুজাই কওক ।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী)ঃ— এই চচাইটিখনৰ যদি বাহিৰাকৈ কিবা প্ৰভিজন আছে তেতিয়াহলে পাতিব পাৰে, কিন্তু এইটো এতিয়া কি অৱস্থাত আছে সেইটো চৰকাৰে জানিব লাগিব ।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ— এইটো কব নোৱাৰো । তেখেতসকলৰ যদি ক-পাৰেটিভ আছেই, তেনেহলে তাত কিয় নতুনকৈ ক-পাৰেটিভ অৰ্গেনাইজেচন কৰা হৈছে- সেইটো চৰকাৰে বুজিব পৰা নাই। দ্বিতীয় কথা হল তাত তেখেতসকলে এতিয়ালৈকে বিচৰা নাই, নিবিচাৰিলে চৰকাৰে কৰ পৰা দিব ? গতিকে তাত ডিস্ক্ৰিমিনেচনৰ কথা নাহে ।

Shri Biswanath Upvdhya :— There is a file and the file No. is CC.20/73

শ্ৰীতুলাল বৰুৱা ঃ— মই এটা কথা মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো। এতিয়া দেখা গল যে ভিতৰি ভিতৰি কিবা এটা চলিছে। সেইকাৰণে দুজন মাননীয় সদস্যই দলীয় স্বাৰ্থ ত্যাগ কৰি সদনৰ থুল ৰাখি দুযাৰ কথা কৈছে। আমাৰ বৰ্ত্তমান যিটো বায়-ল' আছে, তাত একজিষ্টিং ক-পাৰেটিভ ভাঙি দিয়াৰ কথা নাই । তেনেকুৱা এক্জিষ্টিং ক-পাৰেটিভ থাকিলে তাক ষ্ট্ৰেংথেন

কৰাৰ কথাহে আছে। গতিকে এতিয়া যিটো কথাত খেলিমেলি লগিছে - তাত অন্য একো কথা নাই - সেইটোক ষ্ট্ৰেংথেন কৰাত চৰকাৰৰ কি অসুবিধা আছে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী):— মই কৈছোৱেই বিজিনেচ নিবিচাৰিলে মই কেনেকৈ দিম ?

শ্ৰীঅতুল শইকীয়াঃ— এ, টি কল ৰেজিষ্ট্ৰেচন কৰা হল, এতিয়া জেটি কলৰহে বাকী আছে। তাৰ ফলত এনেধৰণে চাহবাগানৰ শ্ৰমিকসকলক কিয় হুলাৰ-চেলাৰৰ ৰেজিষ্ট্ৰেচন দিব পৰা নাই - এই কথাৰ স্পষ্টিকৰণ দিব লাগে।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী):— জেটি কলৰ অৰ্গেনাইজেচন হ'ল-চেলাৰৰ ব্যৱসায়ৰ কাৰণে কৰা নাই। চাহবাগানবিলাকত আটাইতকৈ অসুবিধা হৈছে এতিয়াও চাহবাগানবিলাকত ফেয়াৰ প্ৰাইচ চপ আছে. কিন্তু সেইবিলাক একোজন ব্যক্তিগত ব্যৱসায়ীৰহে। ফেয়াৰ প্ৰাইচ চপত চেনিৰ কথা আছে, বাগানত মেনেজাৰৰ বাহিৰে সৰ্ব্বসাধাৰণ মানুহে এক কিলো চেনি নাপায়। সেইকাৰণে এই ব্যৱস্থা কৰা হৈছে যাতে বাগানৰ শ্ৰমিক সকলেও Retail shop খুলিব পাযে।

Shri Jagannath Sinha :— Sir, my point is very clear. The hon'ble Minister has said that since by-law of A.T. Col covers the district of Cachar, there are difficulties to allow formation of whole-sale Cooperative in the district of Cachar. But before formation of A.T.Col, there was another Co-operative, viz. , Calchar Tea Farming and Industries Cooperative Limited. By-law of this Coopertive covers the entire district of Cachar for wholesale, restail sale and everything. While this was already in existence, how our hon'ble Minister or the Coopertive department could give registration to a Cooperative, namely, A,T.Col giving coverage for the district of Cachar. Is it not a contradiction. Sir ?

Mr. Speaker :— The House stands adjourned till 9 A. M. tomorrow.

( The House rose at 4·30 P.M. )

Dated, Dispur
The 29th Nov ; 73

Shri P. D. Barua
Secretary.
Legislative Assembly.